চান্দমামা

মার্চ ১৯৯০



What makes Junior Quest every child's best friend?
It's crammed with answers.
It's a challenge to do-it-yourself.
It's an invitation to contests.
It's an exciting pull-out in each issue.
JUNIOR QUEST
Where finding out is fun
PRICE Rs. 5/-
To subscribe write to,
JUNIOR QUEST,
Dolton Agencies, Chandamama Buildings,
N.S.K. Salai, Vadapalani,
Madras: 600 026.
A new monthly English children's magazine
A Chandamama Vijaya Combines publication

আহিল এই বেলা মজাৰ নতুন খেলা...

ফ্ৰিছবী

বিনামূল্যে

ফ্ৰিছবী। কমপ্লান
চকোলেটৰ প্ৰতিটো
৫০০ গ্ৰা. টেমাৰ সৈতে

কমপ্লান®
সুপৰিকল্পিত সম্পূৰ্ণ আহাৰ

নীলা সেউজীয়া, হালধিয়া,
ৰঙা সুন্দৰ সুন্দৰ ৰঙত
ফ্ৰিছবী। বন বন বেগত,
চোঁ চোঁকৈ এৰা কমপ্লান
ফ্লায়িং ফ্ৰিছবী।

সম্প্ৰতি পোৱা যায়
বছা বছা বজাৰত।

GL/13 C/173 ASM

CHANDAMAMA
·MAIL-A-TOY·
·SCHEME·

A special offer for readers of Chandamama only.





A. WOBBIT:
Size : 13.5 inches (height)
Price: Rs. 83.00
Add : Rs. 4.80 General Sales Tax for orders placed within Tamil Nadu.
Rs. 8.30 Sales Tax for orders placed outside Tamil Nadu.

B. TEDDY:
Size : 10.5 inches (height)
Price: Rs. 93.00
Add : Rs. 5.35 General Sales Tax for orders placed within Tamil Nadu.
Rs. 9.30 Sales Tax for orders placed outside Tamil Nadu.

C. JUMBO:
Size : 7 inches (height)
Price: Rs. 68.00
Add : Rs. 3.90 General Sales Tax for orders placed within Tamil Nadu.
Rs. 6.80 Sales Tax for orders placed outside Tamil Nadu.

D. BOW WOW:
Size : 6 inches (height)
Price: Rs. 45.00
Add : Rs. 2.60 General Sales Tax for orders placed within Tamil Nadu.
Rs. 4.50 Sales Tax for orders placed outside Tamil Nadu.

E. FATHER HARE:
Size : 6 inches (height)
Price: Rs. 25.00
Add : Rs. 1.45 General Sales Tax for orders placed within Tamil Nadu.
Rs. 2.50 Sales Tax for orders placed outside Tamil Nadu.

Look out for Mama Hare and Baby Hare in our next offer to complete the Happy Hare Family.



Our way of saying you're very special to us is by making you an offer that's every bit as special. The chance of being the very first people to own a Cuddles toy. At a price that's — you guessed right — special! And there's still more you can save. On ordering any of the toys here, you automatically become eligible for discounts on subscription to Chandamama. Rs.6 off on 12 issues and Rs.15 off on 24 issues.

C



E

Dear Chandamama,

I have read about your MAIL-A-TOY scheme and have had a good look at the Cuddles range.

Please send me (tick one or more):

☐ Wobbit ☐ Teddy ☐ Father Hare ☐ Jumbo ☐ Bow Wow

I also understand that I can avail a special discount if I subscribe to Chandamama. I would like to subscribe to Chandamama for —

☐ One year (Rs.30 instead of Rs.36)

☐ Two years (Rs.57 instead of Rs.72)

☐ Sorry, I'm not interested in the subscription offer.

Enclosed please find a Postal Order/Money Order for Rs.............. drawn in favour of Chandamama Toytronix Pvt Ltd.

CHANDAMAMA MAIL-A-TOY SCHEME

Note : This offer is valid only up to 30-6-1990.

All you have to do is to fill the coupon alongside and mail it to us at Chandamama Toytronix Pvt Ltd, Chandamama Buildings, 188, N.S.K. Salai, Vadapalani, Madras 600 026. Within a month of our receiving your request, you will receive your Cuddles. Just in case you are not fully satisfied, we assure you a complete refund of the price if you mail the toy(s) back to us within a week.

NOTE:
Please specify the doll/dolls you would like to have by putting a tick-mark against the respective doll/dolls listed in the coupon. Also, write your address in full and specify the mode of payment i.e. whether you are remitting the price of the doll/dolls by Postal-Order or Money-Order. Please make sure that the exact price is paid. This is to avoid any difficulty in processing your orders. Those who have already sent their coupons without being specific on these points should write to us again separately, to enable us to send them the doll/dolls as soon as possible.

CHANDAMAMA COLLECTION

CUDDLES

Manufactured in technical collaboration with Sammo Corporation, South Korea.

Chandamama Toytronix Private Limited,
Chandamama Buildings,
188, NSK Salai, Vadapalani, Madras - 600 026.

Mudra.M.CT 3789

CHANDAMAMA MAIL-A-TOY SCHEME

I look forward to receiving the toy(s) within a month. I understand that if I am not fully satisfied with the toy(s), I am entitled to a complete refund if I mail it/them back within a week of receiving it/them.

My name: .... Date of birth: ....

Mailing address: ....

....

What are my favourite:

Magazines/Comics : .... Toys ....

TV Programmes : ....

Pastimes : Reading/Toys/Games/TV/Video/Video games/Others : ....

চান্দমামা

সংস্থাপক * * * * সঞ্চালক

চক্রপাণি * বি নাগিৰেড্ডি

শুভেচ্ছাৰে সৈতে আবেদন

সম্প্ৰতে নিৰ্বাচনৰ অন্তত এক ৰাজনৈতিক পৰিবৰ্তনৰ ফলত শ্ৰী ভি পি সিংহদেৱে নতুন কেন্দ্ৰিয় মন্ত্ৰিমণ্ডল গঠন কৰিলে। আমাৰ নতুন প্ৰধানমন্ত্ৰী মহোদয়লৈ ভাৰতৰ জনতাৰ লগে লগে আমিও আমাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ। এই কথা সৰ্বজনবিদিত যে—আজিৰ বালকেই হ'ল কালিলৈৰ ভাৰত-নিৰ্মাতা। ভাবী নাগৰিকৰ কল্যাণ তথা অগ্ৰগতিৰ বিকাশৰ বাবে আমাৰ বৰ্তমান প্ৰাজ্ঞ নেতৃত্বই তেওঁলোকৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিব—এই আশা ন্যায়সংগতভাবেই কৰিব পাৰি। ইপিনে কাগজৰ মূল্য দিনক দিনে ঊৰ্ধমুখী। আমাৰ ভাবী নাগৰিকৰ মানসিক আহাৰ যোগাবলৈ অভিভাৱকসকলৰ কান্ধত থকা বিভিন্ন বোজাৰ ওপৰত মূল্যৰ ঊৰ্ধগতিৰূপী শাকৰ আঁটি দি দায়িত্বক আমি ভালুকৰ সাঙী কৰি তুলিবলৈ নিবিচাৰোঁ। শিক্ষাৰ তথা পঠন-অধ্যয়নৰ সামগ্ৰীৰ মূল্যৰ এনে ঊৰ্ধগতিক ৰোধ কৰিবলৈ আমাৰ নেতৃবৰ্গই অনুগ্ৰহ কৰি কিঞ্চিতমান দৃষ্টি দিব বুলি শুভেচ্ছাৰে সৈতে আবেদন জনাব পাৰোঁনে?

বছৰ : ১৪ মাৰ্চ ১৯৯০ সংখ্যা : ১২

খনে : ৩·০০ টকা : : বছৰেকীয়া বৰঙণি : ৩৬·০০ টকা

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 11 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026



প্ৰাচীৰৰ পতন!

চীনদেশৰ মহাপ্ৰাচীৰৰ কথা, অৰ্থাৎ 'চীনৰ প্ৰাচীৰ'ৰ কথা, সৰ্বজনবিদিত। তাহানিৰ চীনদেশখনক শত্ৰুৰ আক্ৰমণৰপৰা ৰক্ষা কৰিবলৈ এই প্ৰাচীৰ নিৰ্মাণ কৰা হৈছিল।

কিন্তু আমাৰ এই কালতো, ১৯৬১ চনত, আন এখন মহা প্ৰাচীৰ নিৰ্মাণ কৰা হৈছিল। এই প্ৰাচীৰ-নিৰ্মাণৰ উদ্দেশ্য আছিল নিজৰ দেশৰ নাগৰিকক অন্য দেশলৈ যোৱাত বাধা দান।

এই অৱস্থাৰ সঠিক বুজ লব'লৈ হ'লে দ্বিতীয় মহাযুদ্ধৰ দিনবোৰলৈ উভতি চাব লাগিব। জাৰ্মানিৰ নিষ্ঠুৰ হিটলাৰে বিশ্বত প্ৰভুত্ব স্থাপনৰ বাবে সংকল্প কৰি ১৯৪৫ চনত পৰাজিত হৈছিল আৰু তৎ-কালীন জাৰ্মানিক তথা বাৰ্লিন নগৰ-খনকো বিভক্ত কৰা হৈছিল, ভগাই লোৱা হৈছিল মিত্ৰশক্তিৰ মাজত। প্ৰথম ভাগ হ'ল পশ্চিম বাৰ্লিন—বৃটেইন, আমেৰিকা আৰু ফ্ৰান্সৰ অধীনস্থ হ'ল, আৰু দ্বিতীয় ভাগ—অৰ্থৎ পূব-বাৰ্লিন গ'ল ছোভিয়েত ৰুশ-অৰ অধীনত। প্ৰকৃত সাম্ৰাজ্যবাদী হিটলাৰক আৰু তেওঁৰ অনুচৰৰূপী কাল-ফুৰা-সঁফুৰাঁইতক দূৰতে বিদূৰ কৰাত উক্ত চাৰিখন দেশেই ঘাই চুলিত ধৰিছিল।

১৯৫৫ চনত দুয়োখন বাৰ্লিন স্বতন্ত্ৰ ৰাজ্য হৈ পৰিছিল। পূব-বাৰ্লিন হ'ল জাৰ্মান ফেডাৰেল ৰিপাবলিক। দুয়োখন দেশৰ স্বতন্ত্ৰ ৰাজনৈতিক অস্তিত্ব পূব-জাৰ্মানি হ'ল সাম্যবাদী, আৰু পশ্চিম জাৰ্মানি হ'লগৈ প্ৰজাতন্ত্ৰী। বহুবিধ কাৰণত পূবতকৈ পশ্চিম জাৰ্মানি চেৰ আগবঢ়া হ'ল, পশ্চিম জাৰ্মানিৰ অধিবাসীৰ বাক্ স্বাধীনতাক মানি লোৱা হ'ল — কিন্তু পূব-জাৰ্মানিৰ অধিবাসীবৃন্দ হ'ল বঞ্চিত।

ক্ৰমে পূব-জাৰ্মানিৰ তথা পূব-বাৰ্লিনৰ কিছু সংখ্যক অধিবাসী পশ্চিম বাৰ্লিনলৈ আহি প্ৰৱজুৱা হ'ল। কিছুমান আহিল মিত্ৰ-কুটুম্বসকলৰ সৈতে সাক্ষাৎ কৰিবলৈ।

কিন্তু পূব-জার্মান চৰকাৰে ভাল নাপালে।

অতঃপৰ পূব-জার্মান চৰকাৰে এনে অবাধ অহা-যোৱা কৰাত বাধা দিবলৈ ওখতকৈয়ো ওখ প্ৰাচীৰ নিৰ্মাণ কৰিলে। কোনোবাই এই প্ৰাচীৰ পাৰ হৈ যাবলৈ চেষ্টা কৰা মাত্ৰেই তেওঁক গুলীউৰা হ'ল। এইবোৰ কথা-কাণ্ডলৈ চাই বহুতেই ঘৃণা আৰু অসন্তোষ প্ৰকাশ কৰিলে। লগতে পূব-জার্মানিৰ অধিবাসীসকলৰ মাজত স্বাতন্ত্ৰ্যৰ বাসনাও বলৱতী হৈ উঠিল। একদলীয় শাসনৰ পৰিৱৰ্তে বহু দলীয় ব্যৱস্থালৈকো মত প্ৰকাশ কৰা হ'ল।

সম্প্ৰতি পূব-জার্মানিৰ চৰকাৰে বাৰ্লিনৰ বিভক্তকাৰী প্ৰাচীৰৰ দুৱাৰ মুকলি কৰিছে আৰু তাৰ ফলত পূব-জার্মানিৰ অধিবাসীৰ প্ৰাণতো আনন্দৰ জোৱাৰ উঠিছে। এই ব্যৱস্থালৈ পশ্চিম জার্মানিৰ অধিবাসীবৃন্দয়ো স্বাগত জনাইছে। আৰু এই আনন্দতে মতলীয়া হৈ কিছুমানে এই 'বিভাজনৰ প্ৰাচীৰ'ৰ কিছু অংশ ৰঙতে ভাঙি পেলাইছে।

বাৰ্লিনস্থ 'বিভাজনৰ প্ৰাচীৰ'ৰ পতনক মানুহৰ অন্তৰ্নিহিত স্বাধীনতাৰ কামনাৰ দ্যোতক বুলি মানি লোৱা ভাল।



মাহ-খোৱা বান্দৰ

মাছুৱৈ মহীধৰ মাছ মাৰিবলৈ আন ক'লৈকো নাযায়। নৈৰ পাৰতে তাৰ জহা-খহা জুপুৰী. নৈৰ বুকুতে তাৰ মাছৰ ভাণ্ডাৰ। নৈৰ পাৰতে পা-পৰিয়ালে থাকে. নৈতে মাছ মাৰে. কাষৰীয়া নগৰত বেচে আৰু এইদৰেই দুখ কৰে; কিন্তু মুখও নভৰা নহয়, ভৰে।

এদিন ৰজাৰ চিপাহী দুটামানে মাছতিয়াৰ মহীধৰক ক'লে, "হেৰা, নদীয়াল ভাই, কথাটো শুনিছাই চাগে'।"

"কি— ?" মাছুৱৈ মহীধৰে সুধিলে।

"কি মানে—কি ?" এটা চিপাহীয়ে মহীধৰক ডাবি মাৰি কৈ উঠিল, "আকৌ কি বুলি সুধিছানে ? —প্ৰজাৰ দুখ-কষ্টৰ খা-খবৰ ল'বলৈ মহাৰাজ ওলাব; আৰু— ইয়াত তম্বু তৰিবহি তেওঁ। গতিকে—তুমি এই ঠাই এৰি গুচি যাব লাগিব।"

কথাত বোলে—ৰজাই মাৰে, সমুদ্ৰে বুৰায়। মাছুৱৈ মহীধৰে আৰু কৰিবনো কি? সেই ঠাই এৰি গুচি গ'ল।

নতুন ঠাইলৈ গৈ মাছুৱৈ মহীধৰ কিছু বিমোৰত পৰিল। তাৰ এই নতুন জুপুৰিও সি নৈৰ পাৰতেই সাজি লৈছিল; কিন্তু নৈৰ এইখিনিত সিমান মাছ নাই।

কিন্তু—কেইবামাহৰ অন্ততো যেতিয়া মহাৰাজ তম্বু তৰিবলৈ নাহিল, তেতিয়া এদিন মাছুৱৈ মহীধৰ সেই চিপাহী দুটাক ক'লেগৈ, "হে—এ—ৰি, আমাৰ মহাৰাজ কেতিয়াকৈনো আহিব ?"

"সেই খবৰ তোক কিয়—ঐ ?" এটা চিপাহীয়ে ৰণচণ্ডী মূৰ্তি ধৰি কৈ উঠিল, "মহাৰাজ কেতিয়া আহিব মহাৰাণীত

চিদানন্দ চক্ৰৱৰ্তী



ক'লে মহাৰাজৰ কাষ চাপি নিজেই নিজ মুখেৰে মহাৰাজক সকলো কথা ক'বলৈ। আৰু কথাযাৰ মাছুৰৈ মহীধৰৰ ইমানেই মনে-খোৱা হ'ল যে সি ভাল কামত দেৰি নকৰাকৈ তেতিয়াই ৰাজ-ধানীলৈ বুলি ওলাই পৰিল।

কিন্তু ৰাজধানী পায়ো ৰজাৰ দৰ্শন পোৱা টান হৈ উঠিল। ৰজাৰ অট্টালিকাৰ দুৱাৰমুখত পৰ দি থকা পৰীয়াই মাছুৰৈ মহীধৰক ক'লে, "শুনা, যা-তা বা য'ৰ-ত'ৰ মানুহে যেতিয়াই-তেতিয়াই মহাৰাজৰ দৰ্শন নাপায় নাপাব। পিছে তুমি সৌ তাত থিয় হৈ থাকাগৈ, একাধা ঘণ্টাৰ অন্তত আমাৰ মান্যবৰ মহামন্ত্ৰী মহোদয় এই ফালেদি যাব; কিবা ক'বলগা আছে যদি, তেওঁক ক'ব পাৰিবা।"

"নহয় ভাই, মহামন্ত্ৰীৰে মোৰ কাম নিসিজিব, মহাৰাজকহে লাগে।" মাছুৰৈ মহীধৰে ফট ফটকৈ ক'লে।

তেতিয়া পৰীয়াই ভাবিলেঃ ই দেখাত হোজা হ'লেও, আচলতে আমঠ বিধৰহে। ইয়াক ইয়াৰপৰা খেদোঁ কি প্ৰকাৰে? সি মুখেৰে ক'লে, "হেৰা, এটা কাম কৰা। তুমি পৰহি-তৰহিলৈ এবাৰ আহিবাচোন। সম্ভৱতে মহাৰাজ ৰাজধানীত নাই, কাইলৈ পৰহি মানে জৰুৰ আহি যাব।"

বাজে কোনে জানিব, বা ক'ব পাৰিবনো? যাঁচি কিল খাই যমৰ আলহী হোৱাৰ মন গৈছেনে কি?"

তাৰ পাছত আৰু এপষ পাৰ হ'ল। মাছুৰৈ মহীধৰ ক্ৰমাত টানত পৰিছে। নৈৰ এইখিনিত মাছ প্ৰায় নোপোৱাই হৈ আহিছে। আৰু যিমানেই মাছ নোপোৱা হৈ আহিছে, সিমানেই আগৰ ডোখৰ ঠাইলৈ মনত পৰিছে।

কেনেকৈ যে আগৰ ঠাইলৈ পুনৰ নিগাজী হৈ বহিবগৈ, একোপধ্যে ভাবি উলিয়াব নোৱাৰি, মাছুৰৈ মহীধৰে তাৰ মাইঁতীক সোধাত তাই তাইৰ গিৰিয়েকক

"হয়নে ?" মাছুৱৈ মহীধৰে আনন্দৰে কৈ উঠিল, "তেনেহ'লে মহাৰাজ নিশ্চয় আমাৰ গাঁৱৰ নৈৰ পাৰলৈ গ'ল আৰু তম্বু তৰিলেগৈ। ঠিক আছে, হৈ যাব, ৰৈ থাকি কৈ যাম যে দুটা মাছ-খোৱা বান্দৰে মোৰ কিখিনি অপকাৰ কৰিলে।"

তেতিয়া পৰীয়া চিপাহীটোৱে মহীধৰক ডাবি মাৰি ক'লে, "একো হৈ নাযায়, ৰৈ থাকি কৈ যোৱাৰো সকাম নাই, মাত্ৰ গুচা ইয়াৰপৰা, গুচি যোৱা।"

কিন্তু এইবোৰ কথা স্বয়ং মহাৰাজেই স্বকৰ্ণে আঁৰত থাকি শুনি মাছুৱৈক তেওঁৰ ওচৰলৈ লৈ আহিবলৈ দেহৰক্ষীক পঠালে।

মাছুৱৈ মহীধৰে মহাৰাজক দণ্ডৱত কৰি ক'লে, "মহাৰাজ, আপুনি আমাৰ গাঁৱলৈ—সেই নৈৰ পাৰলৈ গৈ তম্বু তৰিলেইনে ?"

মহাৰাজে আচৰিত হৈ সুধিলে, "তুমি ক'ত থাকা ? কি কৰা ? তোমাৰ গাঁৱৰ নাম কি ? আৰু—তোমাৰ নাম কি ?

মাছুৱৈ মহীধৰে মহাৰাজক সকলো কথা সবিস্তাৰে কৈ গ'ল। চিপাহী দুটাই তাক ডবিউৱাৰ কথাও নোকোৱাকৈ নাথাকিল। তাৰ পাছত পুনৰ ক'লে, "মহাৰাজ, এতিয়া য'ত আছোঁ, তাত মাছ পাবলৈ নাই, আৰু মোৰ আগৰ ঠাইত মাছৰ উভৈনদী। এতিয়া য'ত আছোঁ তাত থাকিলে নাখাই মৰিম !"

মহাৰাজে তৎক্ষণাৎ তেওঁৰ কেইজনমান বিশ্বস্ত চিপাহীক মাছুৱৈ মহীধৰৰ গাঁৱলৈ পঠিয়াই তাত মহীধৰ আগতে থকা ঠাই-ডোখৰ বলেৰে কাঢ়ি লৈ নিগাজীকৈ থকা মহীধৰৰ মিঠা পুখুৰীত বিহ দিয়া মাছ-খোৱা বান্দৰ চিপাহী দুটাক বান্ধি লৈ আহিল, আৰু মহীধৰক তাৰ ইমান সংসাহসৰ বাবে পুৰস্কৃত কৰি পুনৰ তাৰ আগৰ ঠাইত ঘৰ সাজি দিবলৈ ৰাজকীয় আদেশ জাৰী কৰিলে।

শাপন্ত কথা

বহু বহু কালৰ আগতে, কমলপুৰ নামৰ গাঁৱতে আছিল যুৱক এজন, নাম তাৰ বীৰমন। বীৰমন আছিল বলী আৰু লগতে দেখন-শুনন। কিন্তু সি আছিল অতি দুখীয়া। সি প্ৰতিদিন হাবিলৈ গৈ খৰি কাটি আনি নগৰৰ বজাৰলৈ নি বেচি কথমপি পেট প্ৰৱৰ্তাইছিল।

এদিন এজোপা ওখ গছত উঠি ডাল কাটি থাকোঁতে এটা ডাল সেই গছজোপাৰ তলেদি গৈ থকা এজন মুনিৰ মূৰত হুৰমুৰকৈ পৰিল। মুনিয়ে ওপৰলৈ চাই, গছত বীৰমনক দেখা পাই, ৰুদ্ৰাক্ষৰ মালা স্পৰ্শ কৰি ঠটা মাটিত তিনি গোৰ মাৰি বীৰমনলৈ অভিশাপ দিলে, "হাৰে বদমাছ! লোকৰ মূৰত ডাল কাটি পেলাবলৈ তোৰ ডৰ-ভয় নাইনে? তই ইমানেই অহংকাৰী হ'লিনে? তই এই মুহূৰ্তৰেপৰাই মানুহ গুচি ৰাক্ষস হৈ এই অৰণ্যতে পঁচি মৰ্।"

আৰু মুনিয়ে এই অভিশাপ দিয়াৰ লগে লগে বীৰমন মানুহৰ ৰূপ গুচি ৰাক্ষস হৈ পৰিল। বীৰমন তিমানতে গছৰপৰা নামি আহিছিল। সি মুনিৰ চৰণত দণ্ডৱত হৈ ক'লে, "হে মুনিশ্বৰ! মই নজনা-নুবুজাকৈ অন্যায় কৰিলোঁ।"

বীৰমনৰ বিননি শুনি মুনিয়ে কোমল কাটি ক'লে, "ঠিক আছে, মই উপায় দিম পুনৰ ৰাক্ষস গুচি মানুহ হোৱাৰ। এতিয়া শুনা, যদিহে কেতিয়াবা কোনো যুৱতীয়ে তোমাক বিয়া কৰাবলৈ বিচাৰে, তুমি ৰাক্ষস গুচি পুনৰ মানুহ হ'বা।"

বহু দিনৰ অন্তত এদিন সুগুণসুন্দৰী নামৰ জমিদাৰ-কন্যা এজনীয়ে দোলাত উঠি

প্ৰশান্ত খাৰঘৰীয়া

ক'ৰবালৈ গৈ থাকোঁতে সেই অৰণ্যৰ কাষতে এদল ডকাইতে আক্ৰমণ কৰিলে। দোলাভাৰীহঁতে ডকাইতবিলাকৰ বিৰুদ্ধে যুঁজিছিল, কিন্তু ডকাইতবিলাক সংখ্যাত বেছি হোৱাত দোলাভাৰীহঁতক ঢেকুৰী কোবোৱা দিছিল আৰু জমিদাৰ-পুত্ৰী সুগুণসুন্দৰীক ধৰি লৈ গুচি গৈছিল আৰু সুগুণসুন্দৰীক এটা গুহাত থৈ দিছিল।

ডকাইত দলৰ চৰ্দাৰে সুগুণসুন্দৰীক ক'লে, "মই তোমাক বিয়া কৰাবলৈ বিচাৰোঁ। মোৰ যিমান ধন-সোণ আছে, দেশৰ ৰজাৰ ধন-ভঁড়ালতো কিজানি সিমান নাই।"

"তোমাৰ ধন-সোণ যিমানেই নাথাকক, তুমি হ'লা এটা জঘন্য ডকাইত। তোমাক বিয়া কৰোৱাৰ আগতে—লাগিলে মই চিপজৰীকে ল'ম। তুমি এই মুহূৰ্তত্তে গুহাৰপৰা ওলাই যোৱা।" সুগুণে কলে।

যদিও তাৰ ঠোঁকোনাত গাল গ'ল ঠোঁট মুখ ভোটা হ'ল—তথাপি এই কথা ভাবি ডকাইতৰ চৰ্দাৰ গুহাৰপৰা ওলাই গ'ল যে — কেইটামান দিন উকলিলেই এইজনী বাধ্যত পৰি সেও হ'ব, আৰু ৰংমনে বিয়া সোমাব।

এইবোৰ ঘটনা — গছ এজোপাৰ ওপৰত থাকি বীৰমনে চাই আছিল। এইবাৰ — ডকাইত — চৰ্দাৰ গুহাৰপৰা ওলাই যোৱাৰ পাছ মুহূৰ্ত্ততে বীৰমন গুহাৰ ভিতৰলৈ সোমাল আৰু সুগুণ-সুন্দৰীক ক'লে, "মোৰ এই ৰাক্ষসৰূপ চাই তুমি ভয় নকৰিবা। সুগুণ, তুমি মোৰ পিছে পিছে আহি থাকা, মই তোমাক তোমাৰ ঘৰত থৈ আহিমগৈ।"

"তুমিনো মোৰ নামটো জানিলা কেনেকৈ?" সুগুণে আচৰিত হৈ সুধিলে।

"তোমাৰ নামেই নহয়, তোমাৰ দেউতাৰাকো মই চিনি পাওঁ। কিন্তু—এতিয়া এইবোৰ কথা পতাৰ সময় নহয়।"

গুহাৰপৰা ওলাই সুগুণ আৰু বীৰমন

কেইখোজমান আগুৱাই যোৱাৰ লগে লগে পিছফালৰপৰা ডকাইত চৰ্দাৰে আৰু তাৰ অনুচৰ কেইটামানে দুয়োকো আক্ৰমণ কৰিলে।

আৰু তেতিয়া চৰ্দাৰে গৰ্জি উঠি সুগুণ-সুন্দৰীক ক'লে, "এই অকামিলা জহনীত যোৱাটোৱে তোমাক বাৰু ৰক্ষা কৰিব পাৰিবনে?"

এই বুলি কৈয়েই চৰ্দাৰে বীৰমনক ঘপিয়াবলৈ তৰোৱাল দাঙিলে, আৰু চকুৰ পচাৰতে বীৰমনে সেই তৰোৱাল থাপ মাৰি কাঢ়ি লৈ সিহঁতক ঘূৰাই আক্ৰমণ কৰাত আটাইকেইটা ডকাইতে ফৰিং ছিটিকা দিলে।

এই অভাৱিত ঘটনাৰ চাকনৈয়াত পৰি সুগুণসুন্দৰীয়ে বীৰমনক ক'লে, "কথা—বৰ আচৰিত যেন লাগিছে। তুমি হ'লা ৰাক্ষস, তোমাক দেখা পাই ডকাইত-চৰ্দাৰে তৎক্ষণাৎ পলাই যোৱাটোহে স্বাভাৱিক কথা আছিল। কিন্তু চৰ্দাৰে তোমাকো কেনেকৈনো আক্ৰমণ কৰিলে মই ভাবি পোৱা নাই কথাটো।"

এই কথাৰ উত্তৰত বীৰমনে তাৰ ৰাক্ষস-ৰূপ পোৱাৰ ৰহস্যৰ সকলো কথা ভাঙি-পাতি কোৱাত সুগুণে ৰাক্ষস বীৰ-মনক ক'লে: "তুমি ৰাক্ষস; কিন্তু তোমাৰ মাজত থকা মনুষ্যত্ব মানুহৰ মাজতো বৰ বেছি বিচাৰি পাবলৈ নাই। তোমাক মই বিয়া কৰাব খুজিছোঁ।"

আৰু সুগুণৰ এই কথাৰ লগে লগেই বীৰমন ৰাক্ষস গুচি পুনৰ এক সুন্দৰ যুৱা হৈ পৰিল আৰু কৈ উঠিল, "সুগুণ, বিয়াৰ বিষয়ত তোমাৰ শাপন্ত কথায়েইহে মোক সাধুৰ শাপমুক্ত কৰিলে।"

তাৰ পাছত — জমিদাৰে তেওঁৰ জীয়েকৰ মুখে সকলো বৃত্তান্ত শুনাৰ অন্তত বীৰমনৰ সৈতে সুগুণৰ অতি ধুমধামৰে যোৰা পাতি দিলে।



দস্যু যুৱৰাজ

৫

সাধু জয়ানন্দৰ আদেশক্ৰমে অৰণ্যৰ ভল্লুকী ভৱানীয়ে শিশু ৰাজপুত্ৰক ৰক্ষণাবেক্ষণৰ বাবে লৈ গ'ল। ভল্লুক ভৱানী দেখাত হিংস্ৰ যেন হ'লেও প্ৰকৃতপক্ষে অত্যন্ত মৰমিয়াল আৰু দায়িত্বশীল। ভৱানীৰ ত'ৰধানত থকালৈকে যে ৰাজপুত্ৰৰ সামান্যতম অনিষ্টও কোনেও কৰিব নোৱাৰিব, সেই কথাত সাধু জয়ানন্দ শতকৰা এশভাগ নিশ্চিন্ত। ৰাজপুত্ৰক ভৱানীৰ হাত সঁপি সাধু জয়ানন্দই ভৱানীৰ পিনে চাই মিঠাকৈ হাঁহিলে আৰু ভৱানীয়ে মূৰ দুপিয়াই এই হাঁহিৰ স্বীকৃতি দিলে। তাৰপাছত সাধু জয়ানন্দই তেওঁৰ শিষ্যদ্বয়ক মহাৰাণীৰ মৃত দেহক সমাধিস্থ কৰাৰ বাবে গাঁত খান্দিবলৈ ক'লে আৰু মহাৰাণীৰ ইচ্ছানুসাৰে, তেওঁৰ মৃতদেহত তেওঁৰ পুত্ৰসন্তানে এটি ফুল অৰ্পিবলৈ শিশু ৰাজপুত্ৰক লৈ অহাৰ কথাও শিষ্যদ্বয়ক ক'লে। মহাৰাণীৰ মৃতদেহ যাতে জংগললৈ অহা খৰি-কটীয়াইঁতে দেখা নাপায় তাৰ বাবে বিৰাট বাঘ এটাক মৃতদেহ পৰ দি ৰৈ থাকিবলৈ তথা কোনো নৰ-মনিচক ৰাণীৰ এই মৃতদেহৰ কাষ চাপিবলৈ নিদিবলৈকো আদেশ কৰিলে। বাঘটোৱে স্বীকৃতি-সূচকভাবে মূৰ দুপিয়াই গুজৰি উঠিলে। আৰু তাৰ পাছত...

তাৰ পাছত ক্ৰমাত উৎসৱৰ কোলাহল জয় পৰি আহিল। অ'ত ত'ত জুইবাজী তেতিয়ালৈকো চলি থাকিল, কিন্তু সিও অতি ধীৰ গতিৰে। আৰু এসময়ত পুনৰ প্ৰকৃতিৰ আকাশখন পুনৰ দৃশ্যমান হ'ল।

আৰু সেই বিশাল প্ৰাসাদ-প্ৰাচীৰৰ ওপৰত নিশ্চলভাৱে দণ্ডায়মান বিহ-শিঙৰা বীৰসিংহই সকলো লক্ষ্য কৰি থাকিল।

ইপিনে—ৰাজ-ভৱনৰ ভিতৰত সকলো ৰাজকৰ্মচাৰীক মতাই অনাই একেলগ কৰি বীৰাজপা বীৰসিংহৰ টেমেকাই এটাই ওখ বেদি এটাৰ ওপৰত থিয় হৈ কৈ আছিল: “হেই—আমাৰ নতুন ৰজাৰ কামকৰাঁহঁত, তোমালোকে কাণৰ মলি গুচাই কাণৰ বিন্ধা বহলাই ভালকৈ শুনি লোৱাহঁত! এই ৰাজ্যৰ ৰজা এতিয়া আৰু উখোৱা ধান খোৱা মহাৰাণী বোলাজনীৰ মেখেলা-তলীয়া কাপুৰুষৰো অধম সেই মেহমেহীয়া শান্তিদেৱ বোলাটো হৈ থকা নাই, এই ৰাজ্য এতিয়া বীৰশ্ৰেষ্ঠ মহামান্য বীৰ-সিংহদেৱৰ পদানত। এই পৰিৱৰ্তনৰ কথা যদিহে কোনোবাই ভুলতো সুধিছা, মৰিছা বুলি জানিছাই। গতিকে—যদিহে মৰাৰ মন নাই, তেনেহ'লে শান্তভাৱে ভেড়া-পোৱালিৰ দৰে নিজ নিজ কাম কৰাগৈ।”

তাৰ পাছত বিহ-শিঙৰা বীৰসিংহ ৰজা হোৱাৰ ঘোষণা সকলোতে জাৰী কৰিবলৈ ঢোল লৈ ঢুলীয়া এটা ওলাল।

এজন অতি বৃদ্ধ মানুহে এই ঘোষণা শুনি কৈ উঠিল, “এই বুঢ়া বয়সত এনে কথাও শুনিবলগা হ'লোঁনে?”

আৰু বুঢ়াৰ কথাষাৰ বীৰসিংহৰ সৈন্য এটাৰ কাণত পৰাত সি বুঢ়া মানুহজনৰ ওপৰলৈ তৎক্ষণাৎ জঁপিয়াই পৰিল। আৰু তেওঁক বন্দী কৰি লৈ গ'ল।

ৰাজধানীৰ সোঁমাজত এই ঢোলে-দগৰে ৰাজাজ্ঞা শুনিবলৈ অসংখ্য মানুহ গোট খালে। শুনি ৰাজধানীৰ অধিবাসী-সকলৰ মূৰত যেনিবা চৰগহে পৰিল।

জনতাৰ মাজৰপৰা এজন যুৱকে হঠাৎ কৈ উঠিল, "কথানো কি ? আমাৰ মহাৰাজ নিজ ইচ্ছাৰেই সিংহাসন এৰি গ'লনে ? আমাৰ ৰাজকোঁৱৰ এতিয়া ক'ত আছে, কেনে আছে তেন্তে— ?"

"কিয় তোমাক এইবোৰ খবৰ লাগিছেহে ?" ঘোষণাকাৰীয়ে সুধিলে।

"শুনা, মহাৰাজ শান্তিদেৱৰ শাসনত আমি ভালেই আছিলোঁ। দেখোন। হঠাৎ কি হ'ল ? কিয় এই পৰিৱৰ্তন ? এইবোৰ কথা আমি জানিবই লাগিব।"

"অ, জানিবই লাগিব, নহয়নে ? ৰাক, তোমাক জনাই দিয়া যাব, আমাৰ লগত ব'লা।" ঘোষণাকাৰীয়ে ক'লে।

"কিয় তোমালোকৰ লগত যাম ? মোৰ কি গৰজ ? কালিলৈকে আমাৰ মহাৰাজ ভালে-কুশলেই আছিল। কিমান আনন্দ-উৎসৱ হৈছিল। আজিনো কি হ'ল ? এইবোৰ কথা আমি নিশ্চয় জানিব লাগিব।" যুৱকে ক'লে।

এই কথাৰ একো উত্তৰ নিদিয়াকৈ নতুন ৰজাৰ ঘোষণাকাৰীয়ে হাত দাঙি দিয়াৰ লগে লগেই চাৰিটা সৈন্যই এই যুৱকক গৰা মাৰি ধৰিলে আৰু তাৰপৰা চোঁচাৰাই লৈ গ'ল।

এইবোৰ দেখি আৰু শুনি তিমানতে ৰাইজৰ বুজিবলৈ বাকী নাথাকিল যে কিবা নঘট-ঘট ঘটিল। ৰাইজে তেওঁলোকৰ ৰজা তথা ৰাজ-পৰিয়ালৰ সম্বাদ জনাৰ বাবে ব্যস্ত হৈ পৰিল। কিন্তু কাকো একো সোধ-পোছ কৰাৰো উপায় নাই, তেতিয়া গম পালেই গল যাব, নহ'লেও উৎপীড়নৰ চিকাৰ হ'ব লাগিব। এই ভয়তে ত্ৰস্তমান ৰাজধানীত এতিয়া শ্মশানৰ শান্তি আৰু ৰাজধানীৰ আকাশত অশান্তিৰ ক'লীয়া ডাৱৰ।

শান্তিপুৰ ৰাজ্যৰ এই অশান্তিপূৰ্ণ অৱস্থাৰ কথা মহাৰাণীৰ পিতৃদেৱ অমৃতপুৰীৰ ৰজায়ো পালে। অমৃতপুৰী—শান্তি-

পুৰতকৈ ধনে-জনে বহুত সৰু। গতিকে— অশান্তিৰ বতৰা পায়ো মহাৰাণীৰ পিতৃ বসন্তবৰ্মাদেৱে কৰণীয় কি—বহু ভাবিও ভাবি উলিয়াব নোৱাৰিলে।

ইপিনে—পাছদিনা বিহ-শিঙৰা বীৰসিংহই প্ৰবীণ ৰাজপুৰোহিতক মতাই অনাই ক'লে যে তৎকালতে তাৰ ৰাজ্যাভিষেক-অনুষ্ঠান সম্পাদন কৰিব লাগিব। বীৰসিংহৰ এই কথাৰ উত্তৰত প্ৰাজ্ঞ-প্ৰবীণ ৰাজপুৰোহিতে বীৰসিংহক ক'লে, "ৰজাই নিজ ইচ্ছাৰে স্বয়ং অৱসৰ গ্ৰহণ, বা ৰজাৰ উত্তৰাধিকাৰী নথকা অৱস্থাত মৃত্যু ইত্যাদি কোনোবা এটা কাৰণ নোহোৱাকৈ মই আন ক'ৰবাৰপৰা অহা কাৰোবাৰ ৰাজ্যাভিষেক শাস্ত্ৰসম্মতভাবে সম্পাদন কৰিব নোৱাৰিম।"

ৰাজপুৰোহিতৰ কথা শুনি দমদমাই উঠি বীৰাজপা বীৰসিংহই ক'লে, "ষোৱা, গুচা ইয়াৰপৰা—ফুট। তোমাৰ নিচিনা সাতকালৰ চেং লেং খোৱা টটুৱা বেং শৰাধত মেকুৰী বন্ধা বামুণমোক নালাগে।"

তাৰ পাছত বীৰসিংহৰ টেমেকাইঁতে এৰীয়াৰ জোলোঙা যেন একুৰি পুৰোহিতক এছালি-এমালিকৈ ধৰি আনিলে আৰু বান্ধত বাগৰা বীৰসিংহ বোলাটোৰ ৰাজ্যাভিষেক সম্পন্ন কৰিলে।

আৰু পাছদিনাই বীৰসিংহই গুৰুত্বপুৰ্ণ ৰাজকীয় পদবোৰৰপৰা ৰজা শান্তিদেৱৰ মানুহখিনিক খেদি নিজৰ অনুচৰবিলাকক মকৰল কৰিলে।

তাৰ পাছত প্ৰতাৰক ষড়যন্ত্ৰী ৰজাৰ প্ৰথম দিনৰ ৰাজসভা পতা হ'ল। পৰিপূৰ্ণ ৰাজসভাত বীৰসিংহই বৃদ্ধ মহামন্ত্ৰীক উদ্দেশি ক'লে, "মন্ত্ৰীবৰ, আপুনি এই কথাষাৰ নিশ্চয় জানে, আৰু মানে যে— বীৰভোগ্যা বসুন্ধৰা। এতিয়া আৰু সেই মেহমেহীয়া মেখেলাতলীয়া শান্তিদেৱৰ আমোল নাই, এতিয়া—বীৰশ্ৰেষ্ঠ পুৰুষশ্ৰেষ্ঠ মহামহিম মহাৰজা এগৰাকীৰ



আমোল। মই মহাৰজাই চুবুৰীয়া ৰাজ্য জয়ৰ বাবে মন মেলিছোঁ। কোনখন ৰাজ্যক প্ৰথমতে থাপ মাৰি ধৰিব লাগিব —ক'বনে? ৰজাই যদি ৰাজ্য নকৰে, তাক ৰজা নুবুলি ৰঘুমৰা বোলাহে উচিত।"

বীৰসিংহৰ বিষম কথা শুনি বৃদ্ধ মহামন্ত্ৰীয়ে ধীৰভাৱে থিয় হৈ ক'লে, "আমাৰ সেনাপতি······এটা কথা মই······ "

কিন্তু মহামন্ত্ৰীয়ে আন একো ক'বলৈ নৌপাওঁতেই বীৰসিংহই গৰ্জি উঠিল, "কি সাহসেৰেনো তুমি মাখিমৰা মন্ত্ৰীয়ে মোক সেনাপতি বুলি সম্বোধন কৰিছাহে—? মই কালিলৈকে অৰশ্যে সেনাপতিয়েই হৈ আছিলোঁ; কিন্তু আজি মই ৰজা। কি সাহসেৰেনো তুমি বাঘৰ নেগুৰেদি কাণ খজুৱাবলৈ ধৰিছা? তোমাৰ দৰে মানিবে ধান নামানিলে পতান মন্ত্ৰীক মই মোৰ চন্তৰীৰ পদতো মকৰল নকৰোঁ। ফুটা, গুচা ইয়াৰপৰা।" এই বুলি কৈ যীৰসিংহই আনে নেদেখাকৈ এবাৰ মূৰৰ মুকুটখন ঠিকঠাক কৰি ল'লে।

বৃদ্ধ মহামন্ত্ৰীয়ে ধীৰ কিন্তু দৃঢ় কণ্ঠেৰে ক'লে, "তথাপি মই ক'ম—পৰৰাজ্য আক্ৰমণ কৰাতকৈ নিজ ৰাজ্যৰ প্ৰজাৰ মংগল সাধনেই হ'ল ৰজাৰ কৰ্তব্য। মই বৃদ্ধ হ'লোঁ। এজন সামান্য সেনাপতিক 'মহাৰাজ' বুলি সম্বোধন কৰাত টানেই পাইছোঁ। মই নিজেই আৰু এই পদত নাথাকোঁ। মই এতিয়া জিৰণি ল'ব খুজিছোঁ। "

"ঠিক আছে, মই তোমাক অলপ নহয় ভালকৈ আৰু চিৰদিনলৈ জিৰণি লোৱাৰ বন্দৰস্ত টিলিকতে কৰিব পাৰোঁ, এই কথা মনত ৰাখিবা।" বীৰসিংহই বীৰদৰ্পে বাহুডাঙ্ফি মাৰি ক'লে, "তোমাক —বুঢ়া হোৱাত বধ নকৰিলোঁ; কিন্তু পদৰপৰা ৰদ কৰিলোঁ। তোমাৰ মহামন্ত্ৰীৰ পদে মেৰু-খহা দিলে। এতিয়াৰপৰা তুমি লেংটিপিন্ধাটি হ'লা।"

বৃদ্ধ মহামন্ত্ৰীয়ে ৰজা উঠা বীৰসিংহলৈ পিঠি দি ৰাজসভাত উপস্থিত থকাসকলৰ-পৰা কৰযোৰে বিদায় লৈ নমস্কাৰ কৰি ৰাজসভাৰপৰা ওলাই গ'ল।

আৰু পাছমুহূৰ্ততে বীৰসিহংৰ অনুচৰহঁতে টিকাৰ কানি মূৰত দি হাঁহি উঠিল। আৰু বীৰসিংহই এই অট্টহাহিৰ মাজতে কিবা এটা ইংগিত কৰিলে।

সেই দিনাই ৰাজধানীৰ সমীপস্থ দেৱালয়ৰপৰা উভতি আহোঁতে বৃদ্ধ মহা-মন্ত্ৰীৰ ওপৰত কেইটামান সৈন্য জঁপিয়াই পৰিল আৰু তেওঁ আৰ্তনাদ কৰিব নোৱাৰাকৈ তেওঁৰ মুখত এটা সৈন্যই হাতৰ তলুৱাৰে হেঁচি ধৰিলে আৰু আন এটা সৈন্যই মহামন্ত্ৰীৰ হাত দুখনত ধৰিলে। তাৰ পাছত আন দুটাই তেওঁক দাংকোলাকৈ লৈ যাবলৈ ধৰিলে।

ইহঁতৰ কবলৰপৰা নিজক ৰক্ষা কৰাৰ শক্তি মহামন্ত্ৰীৰ নাছিল। সৈন্যকেটাই বৃদ্ধ মহামন্ত্ৰীক এঠাইত থিয় কৰালে আৰু ক'লে, "এতিয়া বাপেকৰ বাহীবিয়া দেখিবলৈ সাজু হোৱা। তোমাক আমাৰ মান্যবৰ বীৰবৰ ৰজা বীৰসিংহদেৱে চিৰ-কাললৈ জিৰণি দিবলৈ তথা যমৰ আলহী কৰিবলৈ আদেশ দিছে। এতিয়া বাপ্ বাপ্ সোঁৰৱা।" এই বুলি কৈয়েই সেই সৈন্যটোৱে ত.ৰ খাপৰপৰা চোকৰ তৰোৱাল উলিয়াই আনি মহামন্ত্ৰীৰ মস্তকলৈ টোঁৱাই ধৰাৰ লগে লগেই তাৰ তৰোৱালখন বহু দূৰলৈ উফৰি পৰিল। ভেবাচেকা খোৱা সেই সৈন্য-বপুৰাটিয়ে দেখিলে যে তাৰ লগৰীয়া সৈন্যকেটা কেতিয়াবাই পলাল। সেই দেখি সিও কেঁটীৰ মূৰ ছিঙা লৰ দিলে।

আগন্তুক অচিনাকি ৰক্ষাকৰ্তা ব্যক্তি-জনে বৃদ্ধ মহামন্ত্ৰীক গম্ভীৰকণ্ঠেৰে ক'লে, "মহামন্ত্ৰী! আপুনি মোৰ লগত এতিয়াই অমৃতপুৰীলৈ ব'লক⋯।" [আগলৈ]

ওচৰ-ঘৰীয়া

ভূতৰ মুখত ৰামনাম আৰু ভূষণৰ মুখত ৰাইজৰ কাম—কথা একেটাই। ভূষণ হ'ল ধনী কিন্তু হাড়-চিকটা। আজিলৈকে ৰাইজৰ কোনো কামতে আগবাঢ়ি অহা নাই, এক পাই চান্দা দিয়া নাই, ইমানেই আপোন পেটা।

পৰিবাৰ লছমীয়ে'গিৰিয়েক ভূষণৰ—এনেবোৰ কথা দেখে, শুনে, একো নকয়। ভূষণ কেনে বস্তুটি—জানিবলৈ বাকী নাই আৰু ভেকুলীৰ গাত নোম গজিলেও যে ভূষণৰ গাত দয়া-ধৰম নোপজিব, সেইটি কথাতো লছমীৰ মনত এশভাগৰ এভাগো সন্দেহ নাই।

ভূষণৰ চুবুৰীয়া আছিল ৰামসহায়। হঠাৎ ৰামসহায়ে ক'ৰবাৰপৰা নতুন এবিধ আমৰ পুলি আনি বাৰীত লগালে আৰু চাওঁতে চাওঁতে সেই পুলিৰপৰা গছ, গছত লাগিল আম, সেই আম পকি হ'ল মধুৰ, দেখাত বৰণ হ'ল সাইলাখ সেন্দুৰ।

এই নতুন ধৰণৰ আম দেখি, আৰু সোৱাদৰ কথা শুনি ভূষণৰ মুখৰ ভিতৰ-ফাল সদায় পনীয়া হৈয়েই থাকিল। ৰামসহায়টোও যে—ভূষণে ভাবিলে: ৰামসহায়টো একেবাৰে যাক বোলে ৰাম-চিকটা। কাকো এটা আমও দিয়া নাই। অথচ গছজোপাত পাততকৈ আম সৰহ।

এদিন মাজনিশা ভূষণৰ তেৰ বছৰীয়া ল'ৰা গুৰুনাথে ৰামসহায়ৰ আমজোপাত উঠি কিছুমান আম ছিঙি আনিলে।

মাক লছমীয়ে—পুতেক গুৰুনাথক হাতে-লুটে ধৰি ক'লে," তই—ইমানেই দগধা হ'লিনে ? লোকৰ বস্তু নোকোৰাকৈ

অনন্ত মেধি

—চুৰ কৰি আনিলি আৰু খালি?”

পুতেক গুৰুনাথে মাকক ক’লে, “মা, ইয়াক চুৰি বুলি কোৱা নেযায়। এনেকুৱা ভাল আম ক’তো পাবলৈ নাই; কিন্তু গছত আমাৰ চকুৰ আগত ওলমি থকা সত্বেও ৰামসহায়ে আমাক এটাও দিয়া নাই। দেউতাৰো এই আমলৈ বৰ হেঁপাহ। মই জানো দেউতাৰ মনৰ কথা।”

ভূষণো সাৰেই আছিল। পুতেকৰ কথাখিনি শুনি ভূষণৰ মনত উজান-ভাটি লাগিল। কিন্তু ঘৈণীয়েকে পুনৰ মুখ ফালি তীখা দিবলৈ ধৰিলে। লছমীয়ে ক’লে, “অ’—ৰামসহায়ে কাকো এটাও ফল নিদিয়াত তইঁতে বেয়া পাইছ, আৰু—তইঁতৰ নিজৰ বেলিকা? পৰৰ বস্তুহে চুৰামাটি। নহয়নে? নিজৰ বেলিহে আতিপতি। হোঁ—? সদায় মই ইয়াকে দেখি আহিছোঁ। তোৰ দেউতাৰৰ চকু আমলৈ, ভাল কথা। আৰু তোৰ দেউতাৰৰ ধনলৈ যদি আনৰ চকু থাকে তেহে জগৰ লাগে। আমাৰ এটা ফুটা-কড়িও কাকো দিওঁনে আমি? আনে কিয় দিব? লোকলৈ বুলি হুল চাঁচিলে যে নিজেও কেতিয়াবা ফুটি মৰিব লাগে জাননে নাজান? ৰামসহায়ৰ অনিয়ায় দেখিছ—তোৰ দেউতাৰে যে কোনোবা মৰিলেও এটা ফুটা কড়ি নুলিয়ায়—দেখা নাই?”

তেতিয়া আৰু ভূষণে থিৰেৰে থাকিব



নোৱাৰিলে। ভূষণে লছমীক ক'লে, "এ — নাওমান চলিটে াৰে কি ক'লে-নক'লে কৰিলে-নকৰিলে—সেই কথাত তুমি ইমানকৈ তাক কেটকেটাই আছানে? তাৰ এটা-দুটা আম খোৱাৰ মন গৈছিল-আনিলে কেটামান— "

"দিবও কাৰবাক কেটামান, খাবও কোনোবা-কুমুবিয়ে চাইটামান। আৰুনো কি ক'বলগীয়া?" মিচিক ক'ৰে হাঁহি লছমীয়ে ক'লে, "পিছে—লোকৰ বস্তু ভোগৰ বাবে নোকোৰাকৈ আনিলে তাক চুৰি বুলিব নাপায়নে কি?"

ভূষণে অলপ লাজ লাজ পোৱা যেন হৈ লছমীক ক'লে, "সি আমকেটা চুৰি কৰি অনাৰেপৰা তুমি যিহে কৈ আছা!"

"অলপমান আগতেও চুৰি বুলি নোকোৰাজনে এতিয়ানো কেনেকৈ চুৰি বুলি কোৱা হ'ল?" লছমীয়ে সুধিলে।

"শুনা, তোমাৰ কথা শুনি এই সৰু ল'ৰাটোৱে কি বুজিল-নুবুজিল মই ক'ব নোৱাৰিম; পিছে—মই একেবাৰে অন্য ৰকমৰ হ'লোঁ আজিৰপৰা। কেৱল মুখেৰেই সাত হাল বোৱা নাই, কামতো কথাটোৰ প্ৰমাণ দিম চাবা।" ভূষণে ঘৈণীয়েক লছমীক ক'লে।

সেইদিনা আবেলি পৰতে ভূষণে গাঁৱৰ মান্য-গণ্যসকলক লগ ধৰি গাঁৱৰ বাট-পথ-পঢ়াশালি-মৰিশালি আদিৰ উন্নতিৰ অৰ্থে বুজন পৰিমাণৰ ধন দান হিচাপে দিলে।

ভূষণৰ এনে পৰিবৰ্তনে গাঁওবাসীক অবাক আৰু লগতে প্ৰসন্নও কৰি তুলিলে। তেতিয়া ৰামসহায়ে তেওঁৰ বাৰীত থকা আম জোপাৰপৰা আম কিছুমান নিজেই ভূষণক দিলে আৰু ক'লে, "ভূষণজী—আজিহে মই বুজি পালোঁ যে আপুনিও আমাৰ ওচৰ-ঘৰীয়া মানুহ!"

ৰামসহায়ৰ কথাত ভূষণ আৰু লছমীও মনে-চিতে আনন্দিত হ'ল।

পাপ

প্ৰতিজ্ঞাবদ্ধ ৰজা বিক্ৰমাদিত্য পুনৰ সেই বিশেষ গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি কান্ধত পেলাই লৈ নীৰৱে-নিমাতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া শৱ মাজত থকা বেতালে কৈ উঠিল, "হে ৰাজন্, এগৰাকী ৰজা কেৱল বুদ্ধিমন্ত আৰু পৰাক্ৰমী হ'লেই নহ'ব, তেওঁ যথেষ্ট সূক্ষ্মবুদ্ধি তথা মানসিক ধৈৰ্যসম্পন্নও হ'ব লাগিব। তোমাৰ মাজত এই গুণ হয়তো ভালেখিনিলৈকে আছে, তথাপি সোঁৱৰাই দিওঁ যে—কোশলদেশৰ ৰজা মাধৱসেন এই গুণৰ অভাৱতহে ৰাজত্ব এৰি বনবাসী হ'বলগা হৈছিল। এই কাহিনী শুনি তুমি সাৱধান হ'ব পাৰিবা।" বেতালে মাধৱসেনৰ কাহিনী কৈ থাকিল:

'বেতাল-কথা'



নানান ধৰণে অত্যাচাৰ কৰা সত্ত্বেও তাৰ মন্ত্ৰশক্তিৰ ডৰতে তান্ত্ৰিকৰ বিৰুদ্ধে কোনো মাত মাতিবৰ দাঁত কাৰো নহ'ল।

কিন্তু চোৰাংচোৱাহঁতৰ মুখে তলি ফুটা চুঙা তান্ত্ৰিকৰ তুৰি-মুৰিৰ বাতৰি পাই, ৰজা মাধৰসেনে তান্ত্ৰিকক মতাই অনালে।

মহাৰজা মাধৰে অগ্নিনেত্ৰক ক'লে, "তুমি আমাৰ ৰাজ্য এৰি গুচি যোৱা, এয়া মোৰ আদেশ।"

"মহাৰাজ, মোৰ নিচিনা তান্ত্ৰিক এজনে যে কিয় এই ৰাজ্য এৰি গুচি যাব লাগিব—সুধিব পাৰোঁনে?"

"তুমি অতি স্বাৰ্থপৰ মানুহ, দুৰ্বুদ্ধি-সম্পন্ন মানুহ। তুমি দুষ্টশক্তিক প্ৰয়োগ কৰি, প্ৰজাক শুহি, নিজৰ স্বাৰ্থ সিদ্ধি কৰিছা।" ৰজা মাধৰে ক'লে।

ৰজাৰ বক্তব্যৰ উত্তৰত অগ্নিনেত্ৰই বিকটভাৱে হাঁহি উঠি ক'লে, "মহাৰাজ, প্ৰতিখন দেশতে বলৱান-বুদ্ধিমানে নিৰ্বলী-নিৰ্বুতকৈ অধিক সুখ ভোগ কৰে। আপুনিও এই অৱস্থাৰ ব্যতিক্ৰম নহয়। আপুনি প্ৰজাৰপৰা যিমান আদায় কৰে—সিমানেই প্ৰজাক দিয়েনে? আপোনাৰ কৃত সকলো আইন-কানুন ৰাইজৰ সহ-যোগেৰে প্ৰণয়ন কৰা হৈছেনে? ৰাইজে মোৰ বিৰুদ্ধে কদাপি কোনো অভিযোগ

মাধৱসেন আছিল তেতিয়াৰকালত কোশলদেশৰ ৰজা। ৰজা মাধৰে তেওঁৰ প্ৰজাবৰ্গক নিজৰ সন্তানৰ দৰে মৰম কৰিছিল আৰু প্ৰজায়ো তিনিওলোকতে মাধৱসেন ৰজা দ্বিতীয় নোলাব বুলি ভাবিছিল।

এবাৰ কোশলদেশত অগ্নিনেত্ৰ নামৰ তান্ত্ৰিক এজন আছিল আৰু তান্ত্ৰিক অগ্নিনেত্ৰই তাৰ তান্ত্ৰিক বিদ্যাৰে ৰাইজক নানান ভেলেকী-ভোজবাজী দেখুৱাই, ৰাইজক শুহি, আয়মেৰে খাই, ৰাইজৰ ধনেৰে ধনী হৈ, ঘৰ-দুৱাৰ সাজি বৰ-লোকালি বোলাবলৈ ধৰিলে। ৰাইজক

উত্থাপন কৰা নাই। গতিকে—মই এজন উত্তম ব্যক্তি বুলিয়েই ক'ব লাগিব। এতিয়া বাকী থাকিল—স্বাৰ্থৰ কথা। প্ৰজাতকৈ অধিক সুখ আপুনিও ভোগ নকৰেনে? তাৰ কাৰণে আপুনিও ৰাজ-প্ৰাসাদ বা ৰাজ্য এৰি গুচি যাবগৈনে?"

"ৰজাই ৰাজপ্ৰাসাদত থাকিব—এয়ে চিৰকলীয়া বিধি। এইপ্ৰচলিত বিধিৰ মাজত কোনো বিশেষ সুখভোগ বা স্বাৰ্থ জড়িত নাই। তথাপি তুমি যদি মোক স্বাৰ্থপৰ বুলি প্ৰমাণ কৰিব পাৰা, মই নিশ্চয় ৰাজ্য ত্যাগ কৰি গুচি যাম।" মাধৱসেনে ক'লে।

তেতিয়া অগ্নিনেত্ৰই টিকাৰ কানি মূৰত দি হাঁহি মাৰি কৈ উঠিল, "মই আপোনাৰ সৈতে তৰ্কবাদ নকৰোঁ। আপুনি সম্পূৰ্ণ অবাবতে মোক আপোনাৰ ৰাজ্যৰ-পৰা বহিস্কৃত কৰিছে। ঠিক আছে, আপোনাৰ আদেশ মই পালন কৰিম, গুচি যাম; কিন্তু আপোনাৰ পুত্ৰীকো মই লগত লৈ যাম। আপুনি যদি মোক বাধা দিব পাৰে—দিয়ক।" এই বুলি কৈয়েই তান্ত্ৰিক তাৰপৰা অদৃশ্য হ'ল।

আৰু লগে লগে ৰাজকুঁৱৰী মাধৱীও অন্তেষপুৰৰপৰা অন্তৰ্হিত হ'ল।

মহাৰাজ মাধৱসেনে প্ৰমাদ গণিলে। কি কৰিব-নকৰিব—একো ভাবি উলিয়াব নোৱাৰি তেওঁৰ মহামন্ত্ৰীৰপৰা পৰামৰ্শ বিচাৰিলে। মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, মাধৱীৰ কাৰণে যোগ্য পাত্ৰ আপুনি কিছু-দিনৰপৰা বিচাৰি আছিল। এতিয়া এই মৰ্মে ঘোষণা কৰি দিয়া যাওক যে—যিজনে তান্ত্ৰিক অগ্নিনেত্ৰৰ কবলৰপৰা ৰাজকুঁৱৰী মাধৱীলতাক উদ্ধাৰ কৰি আনিব—তেওঁক ৰাজকুঁৱৰীৰে সৈতে এই ৰাজ্যও প্ৰদান কৰা হ'ব।"

বিভ্ৰান্ত-বিবশ মাধৱসেন মহামন্ত্ৰীৰ প্ৰস্তাৱত সন্মত হ'ল আৰু লগে লগে এই ঘোষণা সমগ্ৰ ৰাজ্যতে প্ৰচাৰ কৰা হ'ল।

ৰাজত্ব আৰু ৰাজকুঁৱৰীক পোৱাৰ

আশাত কিছুমান যুৱক আগ বাঢ়ি গ'ল; কিন্তু ব্যৰ্থ হ'ল।

মানসিকভাবে বিধ্বস্ত হৈ পৰা মাধৱসেনে মন্দিৰলৈ গৈ তেওঁলোকৰ কুলদেৱীৰ ওচৰলৈ প্ৰাৰ্থনা জনালে: "হে মাতৃ! মই পৰাক্ৰমৰে দুষ্টৰ বিনাশ কৰিব পাৰোঁ; কিন্তু দুষ্টশক্তিৰ সন্মুখীন হ'ব পৰা পৰ্য্যাপ্ত শক্তি মোৰ নাই। মাতৃ মোৰ! তুমি মোক শক্তি প্ৰদান কৰাঁ!"

কুলদেৱীয়ে প্ৰত্যক্ষভাবে দেখা দি ৰজা মাধৱক ক'লে, "মাধৱ, কোনোবা দিব্যশক্তিয়ে তোমাৰ পৰীক্ষাহে লৈছে, বিশেষ চিন্তা নকৰিবা। মই তোমাক এই খড়্গ দিছোঁ, এই খড়্গেৰে স্পৰ্শ কৰামাত্ৰেই দুষ্টশক্তি বিনাশ হ'ব।"

মাধৱসেনে দেৱী-প্ৰদত্ত খড়্গ মূৰশিতানত থৈ সেই নিশা নিঃচিন্ত মনেৰে টোপনি গ'ল।

এসপ্তাহ পাৰ হ'ল। আৰু তাৰ পাছত এদিন এদিন এক তেজস্বী যুৱকৰ সৈতে ৰাজকুঁৱৰী মাধৱীলতা অকস্মাৎ ৰাজপ্ৰাসাদলৈ উভতি আহিল।

এই যুৱকে ৰজা মাধৱসেনক বিনম্ৰভাবে প্ৰণাম কৰি ক'লে, "মই তান্ত্ৰিক অগ্নিনেত্ৰক বধ কৰি মাধৱীলতাক লৈ আহিলোঁ। মোৰ নাম অগ্নিসেন। আমাৰ উপৰিপুৰুষ আছিল বিদেহ ৰাজ্যৰ ৰজা।"

যুৱকে এই কথা কোৱাৰ লগে লগে



মাধৱসেনে সেই খড়্গেৰে অগ্নিসেনক আঘাত কৰিলে; কিন্তু খড়্গৰ আঘাতেৰে অগ্নিসেনৰ তিলমানো অনিষ্ট নহ'ল। অগ্নিসেন অবিচল হৈ থাকিল।

আৰু—সেই মুহূৰ্ততে মাধৱসেন তাৰপৰা গুচি গ'ল, আৰু অগ্নিসেনে মাধৱীলতাক বিয়া কৰালে।

বিবাহৰ অন্তত অগ্নিসেনৰ ৰাজ্যাভিষেকো হৈ গ'ল আৰু ঠিক সেইমুহূৰ্ততে অগ্নিসেন পুনৰ তান্ত্ৰিক অগ্নিনেত্ৰ হৈ পৰিল। অগ্নিনেত্ৰই মৃদুকৈ হাঁহি মাৰি মাধৱসেনক ক'লে, "মহাৰাজ, "মই ৰাজকুঁৱৰীক বিবাহ কৰিম আৰু এই ৰাজ্যৰ ৰজা হ'ম—এই সংকল্প মোৰ আগৰেপৰাই আছিল। মোৰ এই ইচ্ছা দুটা পূৰণ কৰাৰ বাবে মই মোৰ সমস্ত বিদ্যা তথা শক্তিক কামত খটুৱাইছিলোঁ। মই প্ৰথমে ৰাজকুঁৱৰীক অপহৰণ কৰি পাছত ময়েই পুনৰ ৰাজকুঁৱৰীক ফিৰাই দিলোঁ।"

মাধৱসেন কিছু সময়লৈ মৌন হৈ থাকিল আৰু পাছত ক'লে, "অগ্নিসেন, তুমি এজন সাধাৰণ ক্ষত্ৰিয় যুৱক। কোনোবা দিব্যশক্তিয়ে মোক পৰীক্ষা কৰি চোৱাৰ বাবে তোমাক মাধ্যম হিচাপে ব্যৱহাৰ কৰিলে। তান্ত্ৰিকৰ ৰূপত তুমি কাকো ভয় নেদেখুৱাবা। এই পৰীক্ষাত মই পৰাজিত হ'লোঁ, আৰু মই মোৰ পাপ-ৰ ক্ষালনৰ তথা প্ৰায়শ্চিত্তৰ বাবে



কিছু দিনলৈ বনবাসী হৈ থাকিম।" এই কথাৰ অন্তত মাধৱসেন তাৰপৰা গুচি গ'ল। অগ্নিনেত্ৰ পুনৰ অগ্নিসেন হ'ল।

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, "হে ৰজা, মাধৱসেনে পাপ কৰিছিল বুলি কিয় কৈছিল? কি পাপনো কৰিছিল তেওঁ? কিয় তেওঁ পাপ-ৰ ক্ষালনৰ বা প্ৰায়শ্চিত্তৰ বাবে বনবাসী হ'বলগা হৈছিল? তেওঁ সঁচাসঁচিকৈ কিবা ধৰণৰ পাপ কৰিছিলনে মানসিক স্থৈৰ্য্য হেৰুৱাইহে তেওঁ তেনেবোৰ কথা কৈছিল? মোৰ এই প্ৰশ্নৰ উত্তৰ জানিও যদি সঠিককৈ নিদিয়া, তেনেহ'লে তোমাৰ মূৰত চৰগ পৰিব — এই কথা ধ্ৰুৱ বুলি জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "ৰজা মাধৱসেনে পাপ কৰা বুলি কোৱাটো অৰ্থহীন নাছিল; তেওঁ সঁচা কথাকে কৈছিল। ৰাজ্য—তেওঁৰ নিজৰ সম্পত্তি নহয়; ৰাজ্য হ'ল ৰজা এগৰাকীৰ দায়িত্ব মাথোন। এই দায়িত্ব—দায়িত্বক সঠিককৈ বহন কৰিব তথা পালন কৰিব পৰা সমৰ্থৱান ব্যক্তিকহে দিয়াটো আৱশ্যক। তেওঁ কিন্তু নিজৰ কন্যাক ৰক্ষা কৰাৰ স্বাৰ্থৰ বাবে নিজক ৰাজ্য ৰক্ষাত অসমৰ্থ বুলি বুজি পায়ো ৰাজ্যৰ ৰজা হৈ আছিল। এই অসমৰ্থতা বা অক্ষমতায়েই আছিল মাধৱসেনৰ মতে প্ৰজাসকলৰ সৈতে এক প্ৰকাৰে বিশ্বাসঘাতকতা বা অক্ষমতাক আঁৰ কৰি নিজক ক্ষমতাৱান বুলি প্ৰজাৰ আগত জাহিৰ কৰাজনিত পাপ। এই পাপৰ ফলতহে কুলদেৱী-প্ৰদত্ত খড়্গৰ কোনো প্ৰভাৱ অগ্নিসেনৰ ওপৰত পৰা নাছিল। এই পাপ-ৰ প্ৰায়শ্চিত্তৰ বাবেহে তেওঁ বনবাসলৈ গৈ কঠোৰ তপস্যা কৰিছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

চান্দমামা-ক্রোড়পত্র-১৫

জ্ঞান ভাণ্ডাৰ

তেওঁনো কোন

পূৰ্ব সমুদ্ৰৰ তীৰত বহুদূৰলৈকে নিমাওমাও প্ৰান্তৰ বিস্তৃত হৈ পৰি আছে। ওচৰে-পাঁজৰে আনকি কোনো সৰুসুৰা ঘোকোট গাঁও এখনো পৰিদৃষ্ট নহয়। দেহৰক্ষী-পৰিবৃত হৈ ৰজাই ঘোঁৰাত উঠি সমুদ্ৰতীৰত ফুৰি ফুৰিছে। হঠাৎ ৰজাৰ ঘোঁৰাৰ খুৰত কিহবাৰ খুন্দা লাগি ঘঁহনি খাই জুই জ্বলি উঠিল। ৰজা ঘোঁৰাৰপৰা নামি আহিল। ঠাইটুকুৰা ভালকৈ পৰীক্ষা কৰি চালে। ভালৈমান পৰলৈ পৰীক্ষাৰ অন্তত এঠাইত এচটা শিল মাটিৰ তলত পোত খাই থকা দেখা পালে। ৰজাই তেওঁৰ দেহৰক্ষীহঁতক ক'লে ঠাইডোখৰ যেনেতেনে খান্দি উলিয়াবলৈ। দেহৰক্ষীহঁতে দূৰণিবটীয়া গাঁওবিলাকৰপৰা বনুৱা লৈ আহিলগৈ আৰু কেইবাদিনো ধৰি খন্দাৰ অন্তত সুদূৰ অতীতকালৰ আগতে নিৰ্মিত হেৰাই যোৱা বিশাল মন্দিৰ এটাৰ চূড়া দেখা পালে।

কিংৱদন্তি মতে এই ঘটনাৰে এই মন্দিৰৰ আৱিষ্কৰ্তা ৰজাৰ নাম কি আছিল? এই মন্দিৰৰ নাম কি?

[উত্তৰ ৩৬ পৃষ্ঠাত]

জানানে ?

১. মছজিদৰ ইটো চূড়া জোকাৰি দিলে কাষৰীয়া সিটো মছজিদৰ চূড়াও জিকাৰ খাই চূড়া ক'ত আছে?
২. ভাৰতৰ কোনখন বিখ্যাত নগৰক 'সৰোবৰৰ নগৰ' বুলি কোৱা হয়?
৩. বংগোপসাগৰ আৰু আৰবসাগৰৰ মাজত থকা পউসাগৰৰ (প্ৰণালীৰ) নাম কি?
৪. এই উপসাগৰত (প্ৰণালী) অৱস্থিত প্ৰসিদ্ধ দ্বীপৰ নাম কি?
৫. এই দ্বীপৰ বিখ্যাত মন্দিৰৰ নাম কি?
৬. এই মন্দিৰৰ বিশেষত্ব কি?

[উত্তৰ পৃষ্ঠাত]

অৱন্তী আৰু উজ্জয়িনী

এয়া মহাভাৰতৰ যুগৰো আগৰ কথা। সেই সুদূৰ অতীৰ প্ৰখ্যাত ৰাজ্য আছিল অৱন্তী। এই ৰাজ্যক অৱন্তিকা বুলিও অভিহিত কৰা হৈছিল। কোনোবা কালতে অৱন্তী ৰাজ্য দুভাগত বিভক্ত আছিল। দক্ষিণ অৱন্তীৰ ৰাজধানী আছিল মাহিস্মতী নগৰ। সেই নগৰ আজি মান্ধাতাৰ নামেৰে বিখ্যাত। উত্তৰ-অৱন্তীৰ ৰাজধানী আছিল



উজ্জয়িনী বা উজ্জয়িন নগৰ। আজিও সেই নগৰখন সেই একেটা নামেৰেই মধ্যপ্ৰদেশৰ মালওৱা অঞ্চলত বিদ্যমান।

প্ৰাচীন বৌদ্ধ গ্ৰন্থত কোৱা হৈছে যে—দুহেজাৰ পাঁচশ বছৰৰ আগতে ভাৰতদেশ ষোলখন অঞ্চলত (ষোড়শ জনপদ) বিভক্ত আছিল। এই ষোড়শ অঞ্চলৰ মাজত অৱন্তী আছিল এখন অঞ্চল।

উজ্জয়িনী কেৱল সুপ্ৰাচীন নগৰেই নহয়, আমাৰ দেশৰ সাতখন পৱিত্ৰ নগৰৰ অন্যতম।

সম্ৰাট বিক্ৰমাদিত্যই উজ্জয়িনী নগৰত তেওঁৰ সাম্ৰাজ্যৰ ৰাজধানী পাতি শাসন-কাৰ্য্য কৰিছিল। তেওঁৰ ৰাজসভাত থকা নৱৰত্নৰ মাজত কালিদাস প্ৰমুখ কবি আছিল। মহাকবি কালিদাসে তেওঁৰ মহাকাব্য 'মেঘদূত'ত উজ্জয়িন নগৰৰ সৌন্দৰ্য্য তথা শিপ্ৰা বা ক্ষিপ্ৰা নদীৰ জীৱন্ত বৰ্ণনা দাঙি ধৰিছে।

সম্ৰাট অশোক মৌৰ্য্য ৰাজসিংহাসনত অধিষ্ঠিত হোৱাৰ আগতে মৌৰ্য্য ৰাজ্যৰ প্ৰতিনিধিৰূপে উজ্জয়িনী নগৰৰপৰ শাসন-কাৰ্য্য চলাইছিল।

আজিৰ দিনৰ উজ্জয়িনী নগৰত প্ৰতি বাৰ বছৰৰ বাদে বাদে এবাৰকৈ বিখ্যাত কুম্ভমেলা সমাৰোহৰে উদ্‌যাপিত হয়।



চান্দমামাৰ সম্বাদ



সংস্কৃতলৈ অনুবাদ

আমাৰ সুপ্ৰাচীন ভাষা সংস্কৃতৰ প্ৰতি পৃথিবীৰ বহুতো বিদ্যাৱন্ত ব্যক্তিয়ে বিশেষ অনুৰাগ প্ৰদৰ্শন কৰা দেখা গৈছে। আমেৰিকাৰ অধিবাসী ব্যাছ হাউস্টন আৰু ডেভিড ল্যাভাইনে সংযুক্ত ভাৱে সংস্কৃত শিকাবলৈ এক কম্পিউটাৰ প্ৰ'গ্ৰাম ৰূপায়িত কৰিছে। এই মাধ্যমৰ যোগে আনকি পাশ্চাত্যৰ লোকসকলেও সঠিক তথা নিখুঁতভাৱে সংস্কৃতৰ উচ্চাৰণ তথা অধ্যয়ন কৰিব পাৰিব।

শ্বেকছপিয়্যাৰৰ নাট্যমঞ্চ

তাহানিৰ সেই নাট্যমঞ্চ এতিয়ানো ক'ত আছে? এই নাট্যমঞ্চ বহু কালৰ আগতেই নোহোৱা হৈছে। ১৬১৩ খৃষ্টাব্দত যেতিয়া (ৰজা অষ্টম হেন্‌ৰিৰ কালছোৱাত) থিয়াটাৰত নাটকসমূহ মঞ্চস্থ হৈ আছিল, তেতিয়া সেই নাট্যমঞ্চত জুই লগিছিল, এই নাট্যমঞ্চ পুনৰ্নিৰ্মিত হৈছিল। কিন্তু ১৩১৬ খৃষ্টাব্দত শ্বেকছপিয়্যাৰো ঢুকাল, আৰু লগে লগে সেই নাট্যমঞ্চৰ আকৰ্ষণৰো আধ্যা পৰিল। থেমছ (টেমছ) নৈৰ পাৰত কাৰপাৰ্কৰ তলত সেই গ্লোব থিয়াটাৰৰ অস্তিত্ব মাত্ৰ হতেহে আৱিষ্কৃত হৈছে। ভৱিষ্যতত গ্লোব থিয়াটাৰৰ ধ্বংসাৱশেষেই হ'ব দৰ্শনাৰ্থীৰ-আকৰ্ষণ।

সাহিত্যলৈ এভুমুকি

১. সুবিখ্যাত লেখক ম্যাক্সিম্ গোর্কিৰ প্ৰকৃত নাম কি?

২. বিখ্যাত সাহিত্যিক জৰ্জ অৰওৱেলৰ প্ৰকৃত নাম কি?

৩. প্ৰখ্যাত ৰচয়িতা শ্বাকি-ৰ আগৰ নাম কি?

৪. কান্ধৰ ওপৰত মেকুৰী বহুৱাই লৈ কবিতা ৰচনা কৰা বিখ্যাত কবি কোন?

৫. কোনগৰাকী কবিয়ে পোহনীয়া জন্তু-জানোৱাৰ আৰু চৰাই লগত লৈ ফুৰিছিল?

৬. বহু ভাষাবিদ লোকপ্ৰিয় পৰীৰ গল্প ৰচোঁতা কোন আছিল?

উত্তৰ

তেওঁ কোন

গালামাধৱ মহাৰাজ; পুৰীৰ জগন্নাথ মন্দিৰ।

জানানে?

১. আমেদাবাদত।

২. উদয়পুৰ।

৩. মান্নাৰ প্ৰণালী।

৪. ৰামেশ্বৰম্।

৫. শিৱ-মন্দিৰ।

৪. ইয়াত থকা শিৱলিংগ শ্ৰীৰামচন্দ্ৰই প্ৰতিষ্ঠা কৰিছিল বুলি জন-বিশ্বাস আছে।

সাহিত্য

১. আলেক্‌জেই পেশ্‌কফ।

২. এৰিখ্ ব্লেয়িৰ।

৩. ভিক্‌টৰ হিউগো মান্‌ৰো।

৪. এডগাৰ এলেন পো।

৫. লৰ্ড বায়ৰণ। তেওঁ দহোটা ঘোঁৰা, আঠোটা ডাঙৰ কুকুৰ, পাঁচটা মেকুৰী, এটা ঈগল চৰাই এটা কাউৰী আৰু এটা শেন লগত লৈহে যাত্ৰা কৰিছিল।

৬. জাকোব গ্ৰিম (১৭৮৫—১৮৬৩)।

[আমাৰ এই নেহৰু-উপাখ্যান সংবলিত চিত্ৰ-কাহিনী ১৯৮৮ চনৰ নভেমবাৰত, জৱহৰলাল নেহৰু-শতবাৰ্ষিকীত আৰম্ভ কৰা হৈছিল। এই সংখ্যাত ভাৰতৰ সেই চিত্ৰ কাহিনী সমাপ্ত কৰা হ'ল।]

নেহৰু-উপাখ্যান-১৩

ইংৰাজৰ চৰকাৰৰ ভয়ানক অত্যাচাৰ আৰু নিপীড়ন সত্বেও স্বাধীনতা-আন্দোলন প্ৰচণ্ডতম গতিৰে চলিয়েই থাকিল।

বৃটিছ চৰকাৰে এই কথা গমিলে যে ভাৰতক স্বাধীনতা দিবই লাগিব। ১৯৪৫ চনত তেওঁলোকে নেহৰুক মুক্তি দিলে।

নেহৰু নেতৃত্বত ভাৰতৰ ভাইছৰয়ে এক অন্তৰ্বৰ্তী চৰকাৰ গঠন কৰিলে। ইপিনে—সম্প্ৰদায়গত ভিত্তিত মুছলিম লিগৰ জনাব এম. এ. জিন্নাই ভাৰতৰ কৰাৰ দাবী জনালে। নেহৰুৱে জিন্নাক একোপধ্যে তেওঁৰ এই আঁচনিৰপৰা নিবৃত্ত কৰিব নোৱাৰিলে।

১৯৪৭ চনত, দ্বিতীয় বিশ্বযুদ্ধৰ অন্যতম বীৰ যুঁজাৰু, বৃটিছ ৰাজপৰিয়ালৰ লৰ্ড মাউণ্টব্যাটেন ভাইছৰয় আৰু গাভাৰ্নাৰ জেনাৰেল ৰূপে ভাৰতলৈ আগমন কৰিলে। ক্ষমতাৰ হস্তান্তৰৰ বাবে বৃটিছ চৰকাৰে তেওঁক ভাৰতলৈ পঠাইছিল।



ইপিনে—ভাৰতবৰ্ষক টুকুৰা কৰাৰ কথাত মুছলিম লিগে 'প্ৰত্যক্ষ সংগ্ৰাম'লৈ আহ্বান জনালে। মোস্লেমসকলে হিন্দু-সকলক আক্ৰমণ কৰিলে, আৰু পাছত হিন্দুসকলো আক্ৰমণাত্মক হ'ল। সমগ্ৰ ভাৰতত, বিশেষকৈ বংগ আৰু পঞ্জাৱত প্ৰলয় সাম্প্ৰদায়িক তাণ্ডৱ চলি থাকিল।

আৰু অৱশেষত কংগ্ৰেছে ভাৰত-বিভাগ মানি ল'লে। ১৯৪৭ চনৰ ৩ জুনৰ দিনা নেহৰুৱে এই বিষয়ে তেওঁৰ অনাতাঁৰ-ভাষণত জাতিক তেওঁৰ বক্তব্য বুজাই ক'লে, উভয় পক্ষৰ অশ্ৰুধাৰাৰ মাজেদিয়েই ভাৰত খণ্ডীকৃত হ'ল।



১৯৪৭ চনৰ ১৫ই অগাস্টৰ দিনা ভাৰত স্বাধীন হ'ল। স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰীৰূপে জৱহৰলালক দায়িত্ব দিয়া হ'ল। এক আবেগময়ী ভাষণৰ যোগে জৱহৰলাল নেহৰুৱে নতুন ভাৰত গঢ়িবলৈ দেশবাসীলৈ আহ্বান জনালে।

১৯৪৮ চনৰ ৩০শে জানুৱাৰিৰ দিনা দিল্লীত গান্ধীজীক হত্যা কৰা হ'ল। এই ঘটনা আছিল নেহৰুৰ পক্ষে এক বিৰাট আঘাত। কিন্তু তেওঁ সেই আঘাত সহ্য কৰিব পাৰিছিল ; কিয়নো, তেওঁৰ দৃষ্টিৰ সন্মুখত আছিল অফুৰন্ত সমস্যা তথা এক বিৰাট কৰ্ম-যজ্ঞ।



ভাৰতৰ বিভাজনৰ ছেগতে কিছুমান জায়গীৰ-ভোগী দেশীয় 'ৰজা'ই স্বাধীন হ'বলৈ বিচাৰিলে। নিজাম-শাসিত হায়দ্ৰাবাদত হিংস্ৰ সাম্প্ৰদায়িক তাণ্ডৱে মূৰ দাঙিলে। নিজামৰ সমৰ্থক ৰাজাকাৰ নামৰ এক উন্মত্ত বাহিনীয়ে ভাৰতৰ সৈতে হায়দ্ৰাবাদক সাঙোৰাৰ সমৰ্থক-সকলক অত্যাচাৰ কৰিব থাকিল।

কাশ্মীৰৰ ৰজা, মহাৰাজ হৰি সিংদেৱে তেওঁৰ ৰাজ্যক ভাৰতৰ অন্তৰ্ভুক্ত বুলি ঘোষণা কৰা সত্বেও পাকিস্তানী যুদ্ধ-বাজহঁতে বিশৃংখলাৰ সৃষ্টি কৰিবলৈ শ্ৰীনগৰলৈ বুলি আগ বাঢ়িবলৈ ধৰিলে। কিন্তু সচেতন-সাহিয়াল ভাৰতীয় জওৱানসকলে সিঁহতক খেদি পঠালে।



ইমান সমস্যাসংকুল ঘটনাৰ চাকনৈয়াৰ মাজতো নেহৰুৱে দেশত তথা বিশ্বতো শান্তি স্থাপনৰ বাবে সচেষ্ট হৈ থাকিল। ১৯৫৪ চনত তেওঁ 'পঞ্চশীল'ত অৰ্থাৎ শান্তিপূৰ্ণ সহাৱস্থানৰ পাঁচোটা নীতিত ভ্ৰমণৰত চীনৰ প্ৰধানমন্ত্ৰী চৌ-এন্-লাইৰ সৈতে যুগ্মভাৱে স্বাক্ষৰ কৰিলে।

কিন্তু পঞ্চশীললৈ তথা শান্তিপূৰ্ণ সহাৱস্থানৰ পঞ্চনীতিলৈ সম্পূৰ্ণ উপেক্ষা কৰি ১৯৬২ চীনদেশে ভাৰত আক্ৰমণ কৰিলে। এই আক্ৰমণৰ বাবে ভাৰত একেবাৰেই প্ৰস্তুত নাছিল। কিন্তু তথাপি ভাৰতীয় জওৱানসকলে দুৰূহ ঠাইবোৰতো বিক্ৰমেৰে যুদ্ধ কৰিলে। চীন হুঁহকিল ; কিন্তু ভাৰতক এক নিদাৰুণ মানসিক আঘাত দি থৈ গ'ল।



এইদৰে, সমগ্ৰ জীৱনকাল ধৰি ভাৰতবৰ্ষৰ সেৱা কৰাৰ তথা কেৰাহে ১৭ বছৰ ধৰি প্ৰধানমন্ত্ৰী হৈ থকাৰ অন্তত, এই শতিকাৰ অন্যতম দূৰদৃষ্টিসম্পন্ন দাৰ্শনিক শক্তিশালী লেখক, মানৱ-সমাজৰ প্ৰতি মৰমিয়াল শ্ৰেষ্ঠ দেশপ্ৰেমিক জৱহৰলাল নেহৰুৱে ১৯৬৪ চনৰ ২৭ মে'-ৰ দিনা তেওঁৰ বৈপ্লৱিক জীৱনৰপৰা বিদায় লৈ অমৰধামলৈ যাত্ৰা কৰিলে। [অন্ত]

বাঘ-ককা বৰা-ককা

মালয়দেশৰ নৃপতি মাননীয় নৰোত্তমবৰ্মাদেৱ যেতিয়া বৃদ্ধ হ'ল, তেতিয়া তেওঁক এই চিন্তাই খুলি খুলি খাবলৈ ধৰিলে যে—তেওঁৰ ৰাজ্য নিশ্চয় অন্য কোনোবা বংশৰ কৰতলগত হৈ পৰিব, কিয়নো তেওঁৰ কোনো পুত্ৰ-সন্তান নাই, আছে একমাত্ৰ ছোৱালী—ৰত্নমালা।

ৰত্নমালা ৰূপৱতী, বুদ্ধিমতী; কিন্তু ৰাজ্যশাসনৰ পক্ষে তাইৰনো যোগ্যতা দক্ষতা ক'ত? এই জটিল সমস্যা সমাধান কৰিব নোৱাৰি তেওঁ তেওঁৰ মহামন্ত্ৰী সুগুণাপাল ককথাটো সুধিলে।

মহামন্ত্ৰীয়ে ক'লে, "মহাৰাজ, এই কথাত আপুনি ইমান চিন্তিত নহ'ব। আমাৰ ৰাজ্যত ক্ষত্ৰিয়োচিত বিদ্যাৰে বিদ্যাৱান চৰিত্ৰৱান অসংখ্য যোগ্যৱান যুৱক আছে। আপুনি ৰাজকুঁৱৰী ৰত্নমালাৰ বিবাহৰ বাবে স্বয়ংবৰ সভাৰ আয়োজন তথা ঘোষণা কৰক। যিজন যুৱক শ্ৰেষ্ঠ বুলি প্ৰমাণিত হ'ব, তেওঁৰ সৈতে ৰাজকুঁৱৰীৰ বিবাহ পাতিব, আৰু পাছত জোঁৱায়েকেই হ'ব ৰাজ্যৰো ৰজা।"

মন্ত্ৰীৰ এই পৰামৰ্শক ৰজাই দলিয়ায়ো নেপেলালে, উচিত বুলিও ভাবিলে, আৰু তাৰ পাছত ঘোষণাও জাৰী কৰিলে।

স্বয়ংবৰলৈ অহা অসংখ্যক যুৱকৰ মাজত বিভিন্ন বিদ্যাৰ প্ৰতিযোগিতা পতা হ'ল, অস্ত্ৰ-বিদ্যাৰ প্ৰতিযোগিতাও পতা হ'ল। সকলো প্ৰতিযোগিতাত আৰু প্ৰতিযোগীৰ বিৰুদ্ধে সৰ্বশ্ৰেষ্ঠৰূপে প্ৰতিপন্ন হ'ল জয়বৰ্মা নামৰ এজন যুৱক।

মহাৰাজ নৰোত্তমবৰ্মাদেৱে জয়বৰ্মালৈ

প্ৰেমনাথ পুজাৰী

আদৰণি-অভিনন্দন জ্ঞাপন কৰিলে আৰু ক'লে, "তুমি হ'লা এই দেশৰ ভৱিষ্যৎ-ৰজা। বিবাহৰ পাছতেই তোমাৰ ৰাজ্যাভিষেক হ'ব। কিন্তু—তাৰ আগতে এটি বিশেষ কাম কৰিব লাগিব। আমাৰ এই ৰাজধানীৰ উত্তৰ দিশত ডৰাডৰে বিৰাট বিৰাট অটব্য অৰণ্য আছে। এইবোৰ অটব্য অৰণ্যৰ এডৰাত থাকে উগ্ৰশীল নামৰ এক দুৰ্দ্ধৰ্ষ ডকাইত চৰ্দাৰ। উগ্ৰশীলে আমাৰ ৰাইজক লুট-পাত কৰাৰ উপৰি খুন-জখমো নকৰা নহয়। তাক ধৰিবলৈ আমি পাৰ্য্যমানে চেষ্টা কৰিও ব্যৰ্থ হৈছোঁ। তুমি তাক যেনেতেনে ধৰি আনিবা। তোমাক তোমৰা প্ৰয়োজন মতে সৈন্য-সামন্ত দিয়া হ'ব।"

জয়বৰ্মাই মহাৰাজৰ কথাখিনি অলপ পৰলৈ ভাবি চালে আৰু তাৰ পাছত ক'লে, "মহাৰাজ, সৈন্য-সামন্ত নালাগে। অৰণ্যলৈ অকলেই যাবলৈ বিচাৰোঁ।"

তাৰ পাছত জয়বৰ্মাই সেই বাঘে পোৱালি পোৱা হাবি পালেগৈ আৰু আশ-পাশৰ আক-তাক-গাঁওবাসীক সুধি উগ্ৰশীলৰ সা-সন্ধানো বিচাৰি উলিয়ালে।

আৰু জয়বৰ্মাক বিচাৰি উলিয়ালে উগ্ৰশীলৰ দলৰ ডকাইতহঁতে। সিহঁতে উগ্ৰশীলৰ ওচৰলৈ লৈ গ'ল জয়বৰ্মাক।

জয়বৰ্মাই আত্মপৰিচয় গোপন নকৰিলে ডকাইত-চৰ্দাৰ উগ্ৰশীলৰ ওচৰত। জয়বৰ্মাই



নিজৰ পূৰ্ণ পৰিচয় দিয়াৰ অন্তত উগ্ৰশীলক ক'লে, "মই এই দেশৰ সকলো প্ৰখ্যাত বীৰক পৰাস্ত কৰিছোঁ। দেশৰ ৰজাই মোক মোৰ বীৰতাৰ বাবে ৰাজকুঁৱৰীক আৰু লগতে তেওঁৰ ৰাজ্যও উপহাৰ দিছে। তাৰ অৰ্থ হ'ল যে—ৰাজকুঁৱৰীক বিবাহ কৰোৱাৰ পাছত এই দেশৰ ৰজা—মই। তুমি যদি মোক দ্বন্দ্বযুদ্ধত পৰাস্ত কৰিব পাৰা তেনেহ'লে ৰাজত্ব আৰু ৰাজকন্যা তোমাৰ হ'ব। এতিয়া তোমাৰ ইচ্ছা।"

উগ্ৰশীলে আনন্দিত মনেৰে তাৰ তৰোৱাল উলিয়াই ল'লে আৰু হেলাৰঙে জয়বৰ্মাক দ্বন্দ্বযুদ্ধত পৰাস্ত কৰিলে।

তাৰ পাছত ডকাইত-চৰ্দাৰ উগ্ৰশীল ৰাজধানীলৈ গ'ল আৰু পোনে পোনেই ৰজাৰ সৈতে সাক্ষাৎ কৰি সকলো বিবৰণৰ অন্তত ক'লে, "মহাৰাজ, আপুনি আপোনাৰ কথা মতে—মোৰ সৈতে ৰাজকুঁৱৰীৰ বিবাহ পাতক আৰু ৰাজসিংহাসন মোক দিয়ক।"

এনে বিচিত্ৰ অৱস্থাৰ চাকনৈযাত পৰিব বুলি ৰজাই কল্পনাও কৰিব পৰা নাছিল। উগ্ৰশীলক কি উত্তৰ দিব-নিদিব বুলি ভাবি থকাতে জয়বৰ্মা তালৈ আহিল আৰু ৰজাক ক'লে, "উগ্ৰশীলে নিশ্চয় কৈছে আপোনাক যে—সি মোক দ্বন্দ্বযুদ্ধত পৰাস্ত কৰিছে। কিন্তু—তাৰ বক্তব্যৰ সপক্ষে কোনোবা সাক্ষী-প্ৰমাণ আছেনে? আপুনি আমাৰ দুয়োৰো মাজত দ্বন্দ্বযুদ্ধ পাতক।"

তৎপৰ উগ্ৰশীল আৰু জয়বৰ্মাৰ মাজত যিখন দ্বন্দ্বযুদ্ধ হ'ল—সেই দ্বন্দ্বযুদ্ধত জয়বৰ্মাই অনায়াসে উগ্ৰশীলক পৰাস্ত কৰি উগ্ৰশীলৰ ডিঙিত তৰোৱাল হেঁচি ধৰি কলে, "শুনা, উগ্ৰশীল, ময়েই মালয়দেশৰ ভৱিষ্যৎ ৰজা। মই আদেশ দিছোঁ, তুমি আজিয়েই তোমাৰ অনুচৰবিলাকক লৈ আমাৰ এই ৰাজ্য এৰি গুচি যাবা।"

পৰাজিত উগ্ৰশীলে হাতযোৰ কৰি জয়বৰ্মাক প্ৰণাম কৰি এই প্ৰস্তাৱত তাৰ পূৰ্ণ সন্মতি জ্ঞাপন কৰিলে আৰু সি আজিয়েই এই ৰাজ্য সেই অৰণ্য এৰি গুচি যাবগৈ বুলি কথা দি তাৰপৰা তলমূৰ হৈ গুচি গ'ল।

তাৰ পাছত ধুমধামেৰে সৈতে জয়বৰ্মা-ৰত্নমালাৰ বিবাহ হ'ল, লগতে জয়বৰ্মাৰ ৰাজ্যাভিষেকো হৈ গ'ল।

তেতিয়া এদিন মহাৰাজ নৰোত্তমদেৱে জয়বৰ্মাক সুধিলে, "বোপা, এটা সাঁথৰ মিলাব পৰা নাই। তুমি যিদিনা অকলেই ডকাইত-চৰ্দাৰ জয়শীলক ধৰিবলৈ ওলাইছিলা, তোমাৰ নিৰাপত্তাৰ কথা ভাবি মই কিছুমান ছদ্মবেশী চৰিয়া-পৰীয়াকে তোমাৰ পিছে পিছে পঠাইছিলোঁ, আৰু সিহঁতে আঁৰত থাকি দেখিছিল যে সেইদিনা তোমাক উগ্ৰশীলে হেলাৰঙে পৰাস্ত কৰিছিল। এতিয়া—মোৰ কৌতুহল—ইয়াত তুমি সেইজন উগ্ৰশীলক এনেকৈ বোন্দা-থেকেচা দিলা কেনেকৈ?"

জয়বৰ্মাই মৃদুকৈ হাঁহি মাৰি ক'লে, "মই ইচ্ছা কৰি সেইদিনা উগ্ৰশীলৰ হাতত পৰাস্ত নোহোৱাহেঁতেন, উগ্ৰশীল ৰাজকুঁৱৰী আৰু ৰাজত্বৰ লোভত পৰি ৰাজধানীলৈ নাহিলহেঁতেন। লোভেই তাৰ কাম হ'ল, জিকনেই তাৰ জাল হ'ল।"

তেতিয়াহে মহাৰাজ নৰোত্তমদেৱে এই অভিনৱ বাঘ ককা-বৰা ককাৰ হৰাজিকাৰ ৰহস্যৰ সাঁথৰ ভাঙিব পাৰিলে।

কৃষ্ণাৱতাৰ

২৭

শিশুপালৰ
সালৱ নামৰ এজন
বন্ধু আছিল। ৰুক্মিণী-
হৰণৰ কালত কৃষ্ণই সালৱক
বেয়াকৈ নগুৰ-নাগতি কৰাত সালৱে
সমগ্ৰ যাদৱকুল ধ্বংস কৰাৰ প্ৰতিজ্ঞা
লৈছিল আৰু এই প্ৰতিজ্ঞা পূৰণৰ অৰ্থে
দেৱাদিদেৱ মহাদেৱৰ বৰ লাভ কৰাৰ বাবে কঠোৰ
তপস্যা কৰিছিল। তপস্যাৰে পৰিতুষ্ট মহাদেৱ যেতিয়া
সালৱৰ সম্মুখত উপস্থিত হ'ল আৰু বৰ প্ৰাৰ্থনা কৰিবলৈ ক'লে,
তেতিয়া সালৱে মহাদেৱৰপৰা শূন্যমাৰ্গত সহজে বিচৰণ কৰিব পৰা
ৰথ তথা বিমানলৈ প্ৰাৰ্থনা জনালে। দেৱাদিদেৱ মহাদেৱে বিশ্বকৰ্মাক
এই ৰথ নিৰ্মাণ কৰি দিবলৈ আদেশ দিলে আৰু বিশ্বকৰ্মাই
অতি কম সময়তে মহাদেৱৰ আদেশ পালন কৰি সালৱক
'শৌভ' নামৰ উড়ন্ত ৰথ এখন নিৰ্মাণ কৰি দিলে।
এই ৰথত উঠি সালৱে দ্বাৰকা আক্ৰমণ কৰি
দ্বাৰকাবাসীৰ মনত ত্ৰাসৰ সঞ্চাৰ কৰিব
পাৰিলে। -কিয়নো—তেতিয়া
কৃষ্ণ দ্বাৰকাত নাছিল।

‘হীৰাতকৈও আপুৰুগা চিৰা’



আকাশমাৰ্গতে ৰথৰপৰা অনুষ্ঠিত কৰা সালৰৰ অত্যাচাৰেৰে অতিষ্ঠ হৈ প্ৰদ্যুম্নই সাত্যকি, চাৰুদেষ্ণ, সাম্ব, অক্ৰূৰ, কৃতবৰ্মা প্ৰমুখ বীৰ যোদ্ধাসকলক লগত লৈ সালৰক আক্ৰমণ কৰিবলৈ ওলাল। কৃষ্ণ তেতিয়া পাণ্ডৱসকলৰ তাত আছিলগৈ।

সালৰ আৰু যাদৱসৈন্যৰ মাজত একেৰাহে সাতাইশ দিন ধৰি তয়া-ময়া চলি থাকিল। তাৰ পাছত এদিন কৃষ্ণ দ্বাৰকালৈ প্ৰত্যাবৰ্তন কৰাৰ মনেৰে পাণ্ডৱসকলৰপৰা বিদায় লৈ ৰাওনা কৰিলে। বাটত এই তীব্ৰ যুদ্ধৰ বতৰা পাই— কৃষ্ণই তেওঁৰ ৰথ সালৰৰ ৰথৰ পিনে চালনা কৰি থাকিল। কৃষ্ণৰ সৈতে সালৰৰ তুমুল যুদ্ধ লাগি পৰিল। কৃষ্ণই 'শৌভ' নামৰ ৰথখন ধ্বংস কৰি পেলালে আৰু চক্ৰায়ুধেৰে সালৰক সংহাৰ কৰি তাক সজোৰে সমুদ্ৰলৈ নিক্ষেপ কৰিলে।

সালৰৰ মৃত্যু দৃশ্য দেখি সালৰৰ মিত্ৰ দণ্ডবক্ৰীয়ে গদা জোকাৰি কৃষ্ণক আক্ৰমণ কৰিলে আৰু কৃষ্ণয়ো গদাযুদ্ধেৰে দণ্ডবক্ৰীক বধ কৰি সালৰ-যুদ্ধৰ সামৰণি পেলালে।

সুদামা নামৰ কৃষ্ণৰ এজন বাল্যসখা আছিল। সৰুকালত দুয়ো একেজনা গুৰুৰ অধীনত শিক্ষা গ্ৰহণ কৰিছিল। তাৰ পাছত সুদামাই বিবাহ কৰি গৃহাশ্ৰমত প্ৰবেশ কৰিলে কিন্তু লগে লগে দাৰিদ্ৰ্যয়ো সুদামাৰ লগ ল'লে। দাৰিদ্ৰ্যৰ এই নিপীড়ন সুদামাতকৈয়ো সুদামাৰ পত্নীয়েহে বৰকৈ অনুভৱ কৰিছিল। এদিন সুদামা পত্নীয়ে সুদামাক ক'লে, "স্বয়ং শ্ৰীকৃষ্ণ আপোনাৰ বন্ধু বুলি শুনি আহিছোঁ। আৰু শুনিছোঁ যে—কৃষ্ণই ব্ৰাহ্মণসকললৈ অপাৰ দান দিয়ে। যিজনে কৃষ্ণৰ শৰণ লয়, কৃষ্ণই সিজনৰ হেনো কোনো দুখ-দাৰিদ্ৰ্য হ'বলৈ নিদিয়া হয়, সহায় কৰা হয়। আপুনি যদি বন্ধুৰ কাষ চাপে, তেওঁ আপোনাক সহায় নকৰিবনে?"

সুদামায়ো এই একেটা কথাকে ভাবি

আছিল কেইদিনমানৰপৰা। আৰু—কৃষ্ণৰ সৈতে সাক্ষাৎ কৰাৰো মন সুদামাৰ, কিয়নো, আন যিয়েই নহওক, সৰুকালৰ নল-গল বন্ধু তো হয়। দেখাদেখি নাই বহুদিন-বহুকাল। সুদামাই পত্নীক ক'লে, "হয়, যাম কৃষ্ণৰ ওচৰলৈ। পিছে—তেওঁলৈ উপহাৰ লৈ যোৱাৰ জোখাৰে কিবা ওলাবনে ঘৰত?"

সুদামাই পত্নীয়ে চুবুৰীয়াহঁতৰ ঘৰলৈ গৈ কেইমুঠিমান চিৰাহে মাত্ৰ গোটাই আনিব পাৰিলে আৰু সেই চিৰাখিনিকে লৈ এদিন সুদামা দ্বাৰকালৈ গ'ল।



কৃষ্ণই সুদামাক দূৰৰেপৰাই দেখা পাই ঘৰৰপৰা ওলাই আহি বুকুত সাঁকোৰালি ল'লে. আৰু পাছত পালেঙৰ ওপৰত বহুৱাই নিজ হস্তেৰে পানীৰে সুদামাৰ ভৰি ধুৱাই দিলে। নৱবস্ত্ৰ পিন্ধিবলৈ দিলে।

পতি কৃষ্ণই ইমান আদৰ-সাদৰ কৰা দেখি পত্নী ৰুক্মিণীয়েও চামৰেৰে সুদামাৰ গাত বিচিবলৈ ধৰিলে।

কৃষ্ণৰ মনত পৰিল সুদামাৰ সৈতে অতিবাহিত কৰা গুৰুকুলৰ দিনবোৰৰ কথা :

এবাৰ গুৰুপত্নীয়ে তেওঁলোকক শুকান খৰি বুটলি আনিবলৈ কৈছিল। দুয়ো বিশাল অৰণ্যত সোমালগৈ। আৰু লগে লগে ক'লীয়া ডাৱৰে আকাশ ছানিলে. বিজুলী চমকিলে, ঢেৰেকনীয়ে গাজিলে, প্ৰচণ্ড ধুমুহা বলিলে আৰু লগতে বেলিয়েও লাহ দিলে। দুয়ো বৰষুণত তিতি জুকলি-জুপুৰি হ'ল, বাট-পথ নেদেখা হ'ল, খলা-বমা এক হৈ গ'ল। দুয়ো দুয়োৰো হাত ধৰাধৰিকৈ হাবিত হাবিলংকা মাৰি থাকিল। কেনেবাকৈ উৰাই ৰাতি পুৱাই গ'ল আৰু পুনৰ বেলি ওলাল। কিন্তু তেতিয়া আৰু হাবিৰপৰা ওলাই অহাৰ বাট বিচাৰি নোপোৱা হ'ল।

গুৰুৱে যেতিয়া গম পালে যে কৃষ্ণ আৰু সুদাম হাবিৰপৰা উভতি অহা নাই, তেতিয়া দুয়োকো বিচাৰি তেওঁ নিজেই

কৃষ্ণই চিৰাৰ টোপোলাটো দেখা পাই খুলি পেলালে আৰু তাৰপৰা এমুঠি চিৰা মুখত ভৰাই খাবলৈ ধৰিলে আৰু ক'লে, "চিৰা খাবলৈ মই ইমান যে ভাল পাওঁ! বন্ধু, কথাটো তোমাৰ মনত আছে দেখিছোঁ। মোৰ কাৰণে তোমাৰ মনত এতিয়াও যে ইমান মৰম!"

পাছদিনা সুদামা যেতিয়া পুনৰ ঘৰলৈ বুলি ওলাল, তেতিয়া কৃষ্ণ সুদামাৰ লগে লগে কিছুদূৰলৈ গ'ল, আগবঢ়াই দিলে, আৰু তাৰ পাছত বিদায় দি গুচি গ'ল।

গৈ থাকোঁতে সুদামাই ভাবি থাকিল: কৃষ্ণ হ'ল মহাৰজা, মই হ'লো নিঃকিন। মোক ব্ৰাহ্মণ বুলি মান ধৰি আলিংগন কৰিলে কৃষ্ণই, আদৰ-সাদৰো যথেষ্টয়েই কৰিলে, নিজৰ শয্যাত মোক বহুৱালে, পানীৰে ভৰি ধুৱাই দিলে, পত্নীৰদ্বাৰা চামৰ দোলাই দেহ-মন জুৰ পেলালে—আৰু কৰিবলগা সকলো সুকলমে কৰিলে। কিন্তু—বোধকৰোঁ মই অহমিকা ভাবত—মই-বৰ ভাবত নিমজ্জমান হ'ম বুলি ভাবিয়েই—মোক মোৰ দৰিদ্ৰতা গুচাবলৈ ধনেৰে সহায় নকৰিলে।

এনেবোৰ কথা ভাবি ভাবি সুদামাই গাঁও পালেই। হঠাৎ সুদামাই এটা প্ৰকাণ্ড আৰু অতি সুন্দৰ অট্টালিকা

ওলাল। বহু সময় ধৰি বিচাৰি বিচাৰি হুয়োকো বৰকৈ ভাগৰি পৰা অৱস্থাত বিচাৰি পাই গুৰুৱে ক'লে, "তোমালোকে আমাৰ কাৰণেহে ইমান দুৰ্ভোগ ভুগিলা। তোমালোকৰ বাসনা নিশ্চয় পূৰ হ'ব।"

এই ঘটনাটো বিবৰি কৃষ্ণই সুদামাক সুধিলে, "বন্ধু, এই ঘটনাৰ কথা তোমাৰ মনত আছেনে?" মুহূৰ্তেক বৈ কৃষ্ণই পুনৰ সুদামাক সুধিলে, "বন্ধু, আমাৰ কাৰণে ঘৰৰপৰা কিবাকিবি আনিছা নহয়?"

লগে লগে সুদামাৰ বুকুত ঢেঁকীয়ে বানিলে। লথত লৈ অহা চিৰা এমুঠি দিবলৈকো মন নগ'ল। কিন্তু তিমানতে

তেওঁৰ দৃষ্টিৰে সমুখত মুৰ দাঙি থকা দেখা পালে। কিন্তু—কিন্তু—সুদামাই ভাবিলে : এইখিনিতেহে আমাৰ টোকোৰা পঁজাটো আছিল। সেই পঁজাটোনো কি হ'ল? কিন্তু ঠাইটুকুৰা তেওঁৰ ইমান কালৰ ঘৰ থকা ঠাই—সেই কথাত তেওঁৰ মনত একেবাৰেই সন্দেহ নাই।

সুদামাই ভাবিলে : এই ঘৰটো কাৰ? মাত্ৰ তিনিটা দিনৰ আগতে মই দ্বাৰকালৈ গৈছিলোঁ, তাৰ ভিতৰতে ইমান প্ৰকাণ্ড অট্টালিকা এটা, ইমান অপূৰ্ব সুন্দৰ উদ্যান, ইমান পক্ষী, ইমান বিশাল এটা পদুম-ফুলা সৰোবৰ—কেনেকৈনো সৃষ্টি হ'ল?

অট্টালিকাৰ ভিতৰত দাস-দাসীহঁতো ওলোৱা-সোমোৱা কৰি আছিল। আৰু সুদামাৰ অবাক দৃষ্টিৰ আগতে লখিমীহেন সাজ-কাচ কৰা পত্নী ঘৰৰপৰা ওলাই আহি সুদামাক সাষ্টাংগে প্ৰণামকৰিলে।

তেতিয়া সুদামাই গমিলে : এই অবিশ্বাস্য কাৰ্য্য একমাত্ৰ কৃষ্ণৰদ্বাৰাইহে সম্ভৱ। কৃষ্ণয়েই—নিশ্চয় তেৱেঁই মোক ইমান ঐশ্বৰ্য্য দানিলে। তেওঁৰ মোৰপৰা মোৰ ক্ষমতাৰ জোখাৰে এমুঠিমান চিৰাকে মৰমৰ অপাৰ ঐশ্বৰ্য্য তথা হীৰাতকৈও আপুৰুগ বুলি ভাবি মোকো ঐৰ্শ্বৰ্য্যৱান কৰি দিলে।

তাৰ পাছৰপৰা দুখীয়াৰো দুখীয়া সুদামাই পত্নী-পুত্ৰ-পুত্ৰী সহকাৰে এক সজ-



সুখী আৰু আড়ম্বৰহীন জীৱন যাপিছিল।

এবাৰ পূৰ্ণ সূৰ্য্যগ্ৰহণ চোৱাৰ মনেৰে দ্বাৰকাৰ সকলো যাদৱ কুৰুক্ষেত্ৰলৈ বুলি ওলাল। দ্বাৰকাৰ ৰক্ষাৰ দায়িত্ব অনিৰুদ্ধৰ ওপৰত দিয়া হ'ল। কুৰুক্ষেত্ৰত কৃষ্ণৰ পুৰণি আত্মীয়-বন্ধুসকলৰ সৈতে দেখা-সম্ভাষা হ'ল। তাত কুন্তীও আছিল। আছিল ভীষ্ম, দ্ৰোণ, ধৃতৰাষ্ট্ৰ, সঞ্জয়, বিদুৰ, কৃপাচাৰ্য্য, দুৰ্য্যোধন প্ৰমুখ। লগতে—গান্ধাৰী, পাণ্ডৱসকল, তেওঁলোকৰ পত্নী আদিও বহু কালৰ অন্তত এঠাইত লগ লাগিল, আৰু পৰস্পৰে পৰস্পৰ সৈতে বাৰ্তালাপ কৰি থাকিল।

ইকথা-সিকথাৰ মাজত পাণ্ডৱ-পত্নী দ্ৰৌপদীয়ে কৃষ্ণৰ আঠজনী পত্নীক সুধিলে, "কৃষ্ণৰ সৈতে তোমালোকৰ বিভা কেনেকৈ হৈছিলনো? অলপ্ খুলি-মেলি কোৱাচোন।"

"মোৰ বিবাহ—জৰাসন্ধ আদিয়ে শিশুপালৰ সৈতেহে খাটাং কৰিছিল। কিন্তু কৃষ্ণই আটাইবিলাককে পৰাজিত কৰি মোক হৰণ কৰি লৈ গ'ল আৰু মোক বিবাহ কৰিলে।" ৰুক্মিণীয়ে ক'লে।

"মোৰ বিয়াখন — মোৰ পিতাদেউ সত্ৰাজিতে আন কাৰোবাৰ সৈতে পতাটোকে স্থিৰ কৰিছিল; কিন্তু ইতিমধ্যে মোৰ খুড়াদেউ স্বৰ্গী হ'লত পিতাদেউৰে এটা উৰা-বাতৰি প্ৰচাৰ কৰিলে এইবোৰ কৃষ্ণৰহে কাম। তেতিয়া এই উৰা-বাতৰিক মিছা বুলি প্ৰমাণ কৰিবলৈ কৃষ্ণ ওলাই পৰিল আৰু মোৰ খুড়াদেৱক বধ কৰা সিংহটোক সংহাৰ কৰি স্যমন্তক মণি লৈ যোৱা জাম্বৱন্তক পৰাজিত কৰি, জাম্বৱন্তক ধৰি আনি মোৰ পিতাদেউৰ হাতত গটাই দিলে, আৰু তেতিয়া পিতাদেউৰে মোক কৃষ্ণৰ সৈতে যোৱা পাতি দিলে।" সত্যভামাই নিজৰ বিভাৰ কাহিনী কৈ গ'ল।

"মোৰ পিতৃ হ'ল জাম্বৱন্ত। শ্ৰীকৃষ্ণৰ বিৰুদ্ধে পঁচিছ দিন ধৰি যুদ্ধ কৰাৰ অন্তত দেউতাই বুজি পালে যে তাহানিৰ শ্ৰীৰাম-


SANKAR

চন্দ্ৰয়েই হ'ল আজিৰ শ্ৰীকৃষ্ণ। তেতিয়া তেওঁ সিংহক সংহাৰ কৰি মণি আনি দিলে, আৰু লগতে মোকো তেওঁ কৃষ্ণৰ হাতত সমৰ্পিলে।" জাম্বৱতীয়ে তেওঁৰ বিবাহৰ কাহিনী বিবৰিলে।

"মই তেওঁক পতিৰূপে পাবলৈ হাবিলাস কৰাৰ কথা যেতিয়া কৃষ্ণই গম পালে, তেতিয়া অৰ্জুনক লগত লৈ আহি মোক তেওঁ বিয়া কৰাই লৈ গ'ল।" কালিন্দীয়ে নিজৰ কাহিনী ক'লে।

"আৰু মোৰ স্বয়ংবৰত কৃষ্ণই অসংখ্য ৰজাক পৰাজিত কৰাৰ অন্ততহে মোক বিবাহ কৰাইছিল।" ভদ্ৰাই ক'লে।

"মোৰ দেউতাই ঘোষণা কৰিছিল যে যিজনে সপ্তবৃষক হেৰুৱাব পাৰিব, সেই-জনৰ সৈতেহে মোৰ বিয়া পাতি দিব। শ্ৰীকৃষ্ণই হেলাৰঙে এই কাম সামৰি মোক লৈ আহিছিল।" নীলাই ক'লে।

"কৃষ্ণ হ'ল মোৰ মোমায়েৰাৰ ল'ৰা। মই কৃষ্ণকে বিয়া কৰাবলৈ বিচাৰোঁ—এই কথা জানি দেউতাই নিজেই মোক তেওঁৰ হাতত সঁপি দিলে।" মিত্ৰবিন্দাই ক'লে।

শেহলৈ লক্ষণায়ো কৃষ্ণৰ সৈতে নিজৰ বিবাহ-কাহিনী বিবৰিলে। লক্ষণাই ক'লে, "মোৰ দেউতাই মোৰ বিবাহৰ বাবে লক্ষ্যভেদৰ এক অদ্ভুত-অভিনৱ আয়োজন কৰিছিল। কেৱল পানীৰ মাজত লক্ষ্য বস্তুৰ প্ৰতিবিম্বলৈ চাই লক্ষ্যবস্তু ভেদ কৰিবলগীয়া হৈছিল। জৰাসন্ধ, শিশুপাল, ভীম, দুৰ্যোধন, কৰ্ণ প্ৰমুখই ধনুৰ্বাণ দাঙিছিল, কিন্তু লক্ষ্যবস্তুৰ সা-সন্ধেদ সঠিককৈ বিচাৰি উলিয়াব নোৱাৰি ব্যৰ্থ হৈছিল। কিছুমানে আনকি ধনুৰ্বাণো দাঙিব নোৱৰা হৈছিল। পাছত—একমাত্ৰ শ্ৰীকৃষ্ণয়েই অনায়াসে সঠিকভাৱে লক্ষ্য ভেদ কৰি মোক বিবাহ কৰিছিল।"

এই কথাখিনি শুনি দ্ৰৌপদী, আৰু তাতথকা অন্য নাৰীসকলো আনন্দিত হ'ল।

অৰ্থমনৰ্থম্

গুৰু শিৱশৰ্মাৰ টোলত, অৰ্থাৎ বিভিন্ন বিদ্যাৰ পঢ়াশালিত এদিন একেলগে তিনিজন যুৱকে নাম লগালেহি। প্ৰাথমিক আলাপ-পৰিচয়ৰ অন্তত গুৰু শিৱশৰ্মাই যুৱক তথা নতুন শিষ্য তিনিওকে ক'লে, "তোমালোকৰ প্ৰাৰম্ভিক শিক্ষাৰ আজিৰে-পৰাই আৰম্ভণী। এতিয়া কোৱাচোন— তোমালোকৰ মাজত কোনে কি বিদ্যা শিকিবলৈ বাঞ্ছা কৰিছা ?"

প্ৰথমেই সুনন্দই কৈ উঠিল, "গুৰুদেৱ, মই ৰাজ-দৰবাৰত কিবা এটা চাকৰি পোৱাৰ যোগ্যতা আৰ্জিবলৈ শিক্ষাগ্ৰহণ কৰিবলৈ বিচাৰোঁ।"

তাৰ পাছত ভূপতিয়ে ক'লে, "মই চিকিৎসাশাস্ত্ৰ অধ্যয়ন কৰিবলৈ বিচাৰোঁ, আৰু মোৰ মা-দেউতাৰো সেয়ে ইচ্ছা।"

কিন্তু মাধৱে তাৰ বিদ্যাশিক্ষাৰ সম্পূৰ্ণ দায়িত্ব গুৰুৰ ওপৰত জাপি দিলে। মাধৱে ক'লে, "মই কোনো বিশেষ বিদ্যা শিকিম বুলি অহা নাই। সাধাৰণ ভাৱে—কিছু শিকিব পাৰিলেই হ'ল।"

গুৰুৱে মাধৱক বুজাই ক'লে, "এটা কাম কৰা তেন্তে। তুমি—বিভিন্ন বিষয় অধ্যয়ন কৰি থাকাঁ। যদি কোনোবা বিশেষ বিষয় ভাল লাগে, ক'বা মোক।"

তাৰ পাছত গুৰু শিৱশৰ্মাদেৱে সুনন্দক গণিত আৰু অৰ্থশাস্ত্ৰ, আৰু ভূপতিক চিকিৎসা-শাস্ত্ৰ শিক্ষা দিবলৈ ধৰিলে।

প্ৰায় এবছৰমান উকলিল। এদিন শিৱশৰ্মাদেৱে পত্নীক কৈ আছিল, "এবছৰ-মানৰ আগতে আমাৰ টোলত নাম লগোৱা যুৱক তথা ছাত্ৰ তিনিজনৰ মাজত সুনন্দই

পতিতপাৱন পাঠক



শিক্ষাত দ্ৰুত গতিৰে অগ্ৰসৰ হৈছে, ভূপতিয়েও চিকিৎসাশাস্ত্ৰৰ অধ্যয়নত কঠোৰ শ্ৰম কৰিছে ; কিন্তু—মাধৱ নামৰ ল'ৰাটোৱে যে ঠিক কি কৰিছে-নকৰিছে—মই ঠাৱৰ কৰিব পৰা নাই। সি হেনো অনাই-বনাই হাবিয়ে-বননিয়ে ঘূৰি ফুৰে।"

পত্নীয়ে একো ক'বলৈ নৌপাওঁতেই গুৰুৰ অন্যতম প্ৰধান শিষ্য তাত আহিল, আৰু ক'লে, "গুৰুদেৱ, মাধৱ এতিয়া সৌ মুকুন্দপুৰৰ হাবিৰ কাষত গৰখীয়াহঁতৰ লগত বহি বাঁহী বজাইছে।"

শিৰশৰ্মাই শিষ্যক লগত লৈ তৎক্ষণাৎ মুকুন্দপুৰৰ হাবিলৈ বুলি ওলাই পৰিল।

তাত এজোপা গছৰ তলত বহি মাধৱে বাঁহী বজাইছে, আৰু তাৰ চাৰিও কাষতে বহি আছে ভালেমান গৰখীয়া-ভেড়াৰখীয়া। মাধৱৰ বাঁহী বাদন শুনি গুৰু শিৰশৰ্মা মুগ্ধ তথা সম্মোহিত হৈ পৰিল।

বাঁহী-বাদন সমাপ্ত হোৱাৰ অন্তত গুৰুৱে মাধৱক ক'লেগৈ, "তুমি ইমান সুৰলাকৈ বাঁহী বজাব পাৰা যে—ক'তা, মোক কোনোদিনে কোৱা নাই দেখোন!"

মাধৱে গুৰুক প্ৰণাম কৰি ক'লে, "গুৰুদেৱ, মোক ক্ষমা কৰক। মই সম্প্ৰতি এই গৰখীয়া ল'ৰাহঁতৰপৰাহে বাঁহী বাদন শিকিলোঁ। এই বিদ্যা—অতি সাধাৰণ।"

গুৰু শিৰশৰ্মাদেৱে মাধৱৰ পিঠিত থপৰিয়াই ক'লে, "এয়ে হ'ল তোমাৰ কাৰণে সহজ পাণ্ডিত্য। তুমি এই বিদ্যাৰ চৰ্চা নেৰিবা।" এই বুলি কৈ, শিষ্যক আশীৰ্বাদ কৰি গুৰুৱে বিদায় ল'লে।

বিদ্যালাভ সমাপ্ত হোৱাৰ অন্তত সুনন্দই ৰাজ-দৰবাৰত চাকৰি পালে, ভূপতিয়ে ডাঙৰ চিকিৎসালয় পাতি বহিল ; কিন্তু মাধৱে বাঁহী বজাই দেশৰ অ'ত ত'ত চকৰি ঘূৰাদি ঘূৰি ফুৰিবলৈ ধৰিলে।

চাওঁতে চাওঁতে কেইবছৰমান পাৰ হৈ গ'ল। বহু বছৰৰ অন্তত পণ্ডিত শিৰ-শৰ্মাদেউ এবাৰ কিবা কামত ৰাজধানীলৈ

যাবলগীয়া হ'ল। কামো হ'ব, সুনন্দ আৰু ভূপতিৰ সৈতেও দেখা-দেখি হ'ব।

ৰাজধানী পাই শিৱশৰ্মাদেউ প্ৰথমেই ভূপতিৰ ওচৰলৈ গ'ল। ইকথা-সিকথাৰ পাছত ভূপতিয়ে গুৰুক ক'লে, "গুৰুদেৱ, মই যিমান শ্ৰমেৰে এই বিদ্যা শিকিলোঁ, তাৰে বৰ বেছি আনন্দ নোপোৱা হৈছোঁ।"

তাৰ পাছত গুৰু শিৱশৰ্মা সুনন্দৰ ওচৰলৈ গ'ল।

সুনন্দৰ ওচৰলৈ যাওঁতে গুৰুৱে লগত ভূপতিকো লৈ গৈছিল। সুনন্দই গুৰুক যথেষ্ট আদৰ-সাদৰ কৰিলে. অতি উত্তমভাৱে ভোজন-শয়নৰ বন্দবস্ত কৰিলে; কৰিলে; কিন্তু গুৰুৱে অনুভৱ কৰিলে যে—ৰাজকৰ্মচাৰী হোৱা সত্বেও সুনন্দৰ মনত আনন্দ সিমান নাই, যেন সুনন্দৰ সন্তুষ্ট নহয় মন।

কথাই কথাই সুনন্দই ক'লে, "গুৰুদেৱ, কালিলৈ ৰাজসভাত আমাৰ সেই মাধৱে বাঁহী বজাই শুনাব।"

পাছদিনা গুৰু শিৱশৰ্মা আৰু সুনন্দ তথা ভূপতিও মাধৱৰ বাঁহী বাদন শুনিবলৈ ৰাজসভালৈ গ'ল।

বাঁহী বাদন আৰম্ভ হ'ল। মাধৱে কোনো ফাললৈ নোচোৱাকৈ একাগ্ৰতাপূৰ্ণভাৱে তন্ময় হৈ বাঁহী বজাই থাকিল। বাদন ইমানেই ভাল হ'ল যে স্বয়ং মহাৰাজ সিংহাসনৰপৰা নামি আহি

মাধৱৰ বাঁহী বাদনৰ শলাগ ল'লে আৰু ক'লে, "তুমি আজি আমাক যি আনন্দ দান কৰিলা, তাৰ মূল্য কদাপি আমি দিব নোৱাৰিম। তুমি—আমাৰ ৰাজসভাৰ বাদন-শিল্পী হৈ থকাটো আমি বাঞ্ছা কৰিছোঁ।" এই বুলি কৈ, ৰজাই এখন সুদৃশ্য ৰূপৰ কাঁহীত একাঁহী সোণৰ মুদ্ৰা উপহাৰ হিচাপে আগবঢ়াই দিলে মাধৱক।

মাধৱে অতি নম্ৰতাৰে মহাৰাজক ক'লে, "মহাৰাজ, মই ৰাজ-শিল্পী হৈ কি কৰিম ? তাতকৈ — ৰাইজ-শিল্পী হৈ থকাটোৱেই শ্ৰেয়স্কৰ। আৰু—আৰু ইমান স্বৰ্ণমুদ্ৰাৰেও মোৰ কোনো কাম নহ'ব। তাতকৈ—এইখিনি আন কোনোবা জন-হিতকৰ কামতে নিয়োজিত হোৱাটোকে মই মনে-চিতে বাঞ্ছা কৰোঁ।"

ৰাজসভাস্থ সকলোটিয়েই মাধৱৰ এই মনোভাৱৰ শলাগ ল'লে। আনকি স্বয়ং মহাৰাজেও মাধৱৰ প্ৰকৃত শিল্পীসুলভ মনোভাৱৰ হিয়া উজাৰ প্ৰশংসা কৰিলে।

পাছদিনা সুনন্দই গুৰুক সুধিলে, "গুৰুজী, মই শিক্ষা গ্ৰহণ কৰোঁতে যি সংকল্প কৰিছিলোঁ, তাকে পালোঁ। কিন্তু পায়ো কিয় পৰিতুষ্ট হ'ব নোৱাৰিলোঁ ?"

শিষ্যৰ এই প্ৰশ্নৰ উত্তৰত গুৰুৱে ক'লে, "তোমালোকে বিদ্যাৰ্জনৰ আৰম্ভণীতে এক অৰ্থকেন্দ্ৰিক চিন্তাহে কৰিছিলা। সেইহে অৰ্থ পালা, কিন্তু পৰমাৰ্থ নাপালা। তাৰ ফলত পৰিতুষ্টও নহ'লা।"

তেতিয়াহে সুনন্দ আৰু ভূপতিয়েই অৰ্থ, পৰমাৰ্থ, আৰু গুৰুৰ কথাৰ মৰ্মাৰ্থও উত্তমৰূপে বুজি পোৱা হ'ল। সিহঁতে বুজি পালে যে—পৰিতুষ্টিৰূপী পৰমাৰ্থ জীৱনত লাভ কৰিবলৈ হ'লে কেৱল অৰ্থলৈ চকু দিলে নহ'ব। সিহঁতে বুজি পালে যে—'অৰ্থমনৰ্থম্' কথাষাৰৰ এনেয়েই সৃষ্টি হোৱা নাই, তাৰো কিছু অৰ্থ তথা মৰ্মাৰ্থ থাকিব পায়।



ন্যায়-দেৱী

বহু বহু কালৰ আগৰ কথা। চীনদেশত চাং নামৰ এজন যুৱক আছিল। চাং আছিল অতি দুখীয়া আৰু মাক-দেউতাক কোনো-কেও নথকা। চাঙে ইটো-সিটো সৰু-সুৰা কাম-বন কৰি পেট প্ৰৱৰ্ত্তাইছিল। তাৰ বাপতি-সাহোন বোলোঁতে আছিল সৰু এটা ঘৰ। আন একো নাছিল।

চাঙৰ ঘৰৰ ওচৰত এজন বেপাৰী আছিল। এই বেপাৰী মানুহজনে চাঙক তেওঁৰ বেপাৰৰ কামত ল'ব খুজিছিল, কিন্তু—চাঙে একোপধ্যে সেইবেপাৰীজনৰ ওচৰত কাম নল'ব। বেপাৰীৰ উদ্দেশ্য যে কি—চাঙে বুজি পাইছিল। বেপাৰীয়ে তাক চাকৰি এটা দিয়াৰ বিনিময়ত সিহঁতৰ ঘৰটো, আৰু মাটি-বাৰীখিনিও যেনেকৈয়েই নহওক—হস্তগত কৰিব।

চাংহঁতৰ কুলদেৱী আছিল 'টোংগো'। টোংগো হ'ল চীনদেশৰ ন্যায়ৰ দেৱী। চাঙে প্ৰতিদিন কামলৈ ওলোৱাৰ আগে আগে ন্যায়ৰ দেৱী টোংগোক ভক্তিযুক্ত মনেৰে সাষ্টাংগে প্ৰণাম কৰিছিল।

দুখীয়া হোৱা সত্বেও—চাঙৰ ওচৰত কিছুখিনি ধন নথকা নাছিল। চাঙৰ চলন-ফুৰণ কহন-ৰহণৰপৰা বেপাৰীৰ মনতো এই ধাৰণাই শিপাইছিল যে—চাঙৰ যেনেকৈয়েই নহওক—ধন কিছু আছে।

এনিশা এই বেপাৰী মানুহজন চাঙৰ ঘৰলৈ গ'ল, আৰু খিৰিকীয়েদি জুমি চালে। আৰু চাই—উচপ খালে।

বেপাৰীয়ে দেখা পালে যে—চাঙৰ কাষত এটা ডাঙৰ বাকচ, আৰু সেই বাকচটোত চাঙে সোণৰ মুদ্ৰা গন্তি কৰি

'চীনদেশৰ লোক-কথা'



কৰি ভৰাই থৈছে। তাৰ পাছত সি তাৰ চোলাৰ জেপৰপৰা কিছুমানি খুচুৰা পইচা উলিয়াই সেইখিনিও বাকচত ভৰাই থৈ তাৰ ওপৰত এচটা তক্তাৰে ঢাকি, সেই ন্যায়ৰ দেৱী-টোংগোৰ বিগ্ৰহ তাৰ ওপৰত ৰাখি বিছনাত শুলেগৈ।

এই দৃশ্য দেখি বেপাৰী ঘৰলৈ উলটিল; কিন্তু ৰাতি তাৰ চকুযুৰি জাপ নোখোৱা হ'ল। কেনেকৈ যে চাঙৰ সাঁচতীয়া ধনখিনি সৰকাব—সেই চিন্তাত বেপাৰী অস্থিৰ হৈ উঠিল। কিবা-নহয়-কিবা প্ৰকাৰে চকু মুদি আধাৰখোৱা চাঙৰ চকুত বালি মাৰিবই লাগিব।

আৰু—এনেবোৰ কামত প্ৰলম্ব-বিলম্ব কৰিব নাপায়। কথাতে বোলে শুভস্য শীঘ্ৰম্। কথা কথাৰ কথা নহয়. পকা মাথাৰপৰা ওলোৱা. গতিকে—সি লুভীয়া বেপাৰীয়ে পাছদিনাই — চাঙো ওলাল, সি-ও সোমাল। চাঙৰ ঘৰত সোমাই, সোণৰ মুদ্ৰাবোৰ বাকচৰপৰা উলিয়াই, পুনৰ সকলো খাজে-খোপে থৈ, চাৰিওফালে চাই লৈ, সাউৎকৰে ঘৰৰপৰা ওলাই গুমাই ঘৰলৈ বুলি আগ বাঢ়িল।

কামৰপৰা ঘূৰি ঘৰত সোমায়েই চাঙে বুজি পালে যে ঘৰত নিশ্চয় এটা চোৰ সোমাইছিল। সি বাকচটো খুলি চালে, সোণৰ মুদ্ৰাখিনি নাই যে নায়েই! এই চোৰযে চিনাকি চোৰেই হ'ব—বাহিৰা নহয়, সেইটি কথা বুজাত চাঙৰ চৌধদি নালাগিল। আৰু—

সি চিধ্ধাই ন্যায়াধিকাৰী গাঁওবুঢ়াৰ ওচৰলৈ গৈঘটনাটোৰ কথা ক'লেগৈ।

শুনি ন্যায়াধিকাৰী গাঁওবুঢ়ায়ো বুজি পালে যে—এই চুৰি সেই বেপাৰীৰে কাম। কিন্তু পদে-প্ৰমাণে ধৰেনো কেনেকৈ? ভাবি ভাবি ভাবি ভাবি—গাঁওবুঢ়াই চাঙৰ ঘৰত ছদ্মবেশী পৰীয়াৰ বন্দৱস্ত কৰিলে।

এদিন গ'ল দুদিন গ'ল—একো নহ'ল। কিন্তু তিনিদিনৰ দিনা তিনি গধূলিৰ

পাছত বেপাৰীক চাঙৰ ঘৰৰ খিৰিকীয়েদি জুমি চোৱা দেখা গ'ল। চৰিয়াৰূপী পৰীয়াই দৌৰি গাঁওবুঢ়াক এই খবৰটো দিলেগৈ, আৰু তেতিয়া গাঁওবুঢ়াৰ ওচৰত সকলো কথা-কাণ্ড ফৰকাল হৈ পৰিল।

চতুৰ্থ দিনাও লুভীয়া বেপাৰী পুনৰ চাঙৰ ঘৰলৈ আহিল আৰু খিৰিকীয়েদি জুমি চালে। এইবাৰ সি বেপাৰীয়ে চাঙৰ ঘৰৰ ভিতৰত এটা অদ্ভুত দৃশ্য দেখি অবাক হ'ল।

ঘৰৰ ভিতৰত এগৰাকী নাৰী খিৰিকীৰ ফালে পিঠি দি থিয় হৈ আছে, আৰু চাঙে সেই নাৰীগৰাকীক বাৰে বাৰে সাষ্টাংগে প্ৰণাম কৰিছে। নাৰীগৰাকীয়ে কৈ আছে, "বৎস, মোৰ প্ৰতি তোমাৰ নথৈ ভকতি অথলে নাযাব। তোমাৰ চুৰি হৈ যোৱা হেজাৰ সোণৰ মুদ্ৰা তোমাক নিশ্চয়েই ঘূৰাই দিয়া হ'ব।"

খিৰিকীৰ কাষত থিয় হৈ থকা বেপাৰীয়ে দেৱী-গোসাঁনীৰ এই কথা শুনি তৰধ মানি নিজক নিজে কৈ থাকিল : এহেজাৰ! কত'নো এহেজৰ? সোণৰ মুদ্ৰা দেখোন মাত্ৰ এশ! মই ভালকৈ গণ্তি কৰিছিলোঁ দেখোন! —সি তৎক্ষণাৎ নিজৰ ঘৰ পালেগৈ। আৰু ঘৰ পায়েই সি সেই সোণৰ মুদ্ৰাখিনি পুনৰ এটা এটাকৈ গণ্তি কৰি থাকিল।

বেপাৰীয়ে যেতিয়া সোণৰ মুদ্ৰাখিনি গণ্তি কৰি আছিল, ঠিক তেতিয়াই গাঁও-বুঢ়াই খবৰ দি অনা ৰজাৰ চিপাহীবিলাকে বেপাৰীক হাতে-লোতে ধৰিলেগৈ। বাধ্যত পৰি বেপাৰীয়ে চুৰিৰ কথাটো মানি ল'লে, আৰু চাঙৰ ধন চাঙক ঘূৰাই দিলে।

এই ঘটনাৰ ফলত গাঁওবুঢ়াৰ ঢেৰ নামডাক হ'ল, আৰু চীনদেশত ন্যায়-দেৱী 'টোংগো'ৰ প্ৰতিষ্ঠা স্থায়ী হ'ল।

চীনদেশৰ ৰাইজৰ মনত 'ন্যায়-দেৱী'ৰ আসন আজিও একেদৰেই অটুট-অম্লান।



ঊষা

সৃষ্টিৰ আদিতে আছিল পানী। এই পানীৰপৰা পৃথিৱী জাগি উঠিল। পৃথিৱীত জনম ল'লে সমস্ত প্ৰাণী। কিন্তু সূৰ্য্যৰ পোহৰৰ অভাৱত সৃষ্টিৰ আদি কালতে পৃথিৱী আছিল অন্ধকাৰত নিমগ্ন।

তেতিয়াৰ কালত বীভৎস ভয়ংকৰ হিংস্ৰ জন্তু-জানোৱাৰৰ ভয়ত মানৱ নামৰ প্ৰাণী আছিল কম্পমান। ভয়াবহ ঘন অন্ধকাৰ হেতুকে তেতিয়াৰ মানৱে একোকে মনিব, কোনো কাম-বনক কৰিব নোৱাৰিছিল।

এনেকৈ বহু কাল পাৰ হ'ল। তাৰ পাছত—বহু কালৰ অন্তত—এদিন এজন মানৱে অন্যান্য মানৱক ক'লে ঃ

"সৃষ্টিৰ অন্যান্য প্ৰাণী আৰু বিভিন্ন উপকৰণৰ সৈতে সূৰ্য্যও ব্ৰহ্মাৰ সৃজন। আমাৰ মাজত যদি কোনোবাই সূৰ্য্য-ভগৱানলৈ গৈ প্ৰাৰ্থনা কৰে—তেনেহ'লে সূৰ্য ভগৱান নিশ্চয় প্ৰকাশিত হ'ব আৰু মানৱেও বিভিন্ন কাৰ্য্য কৰিব পৰা হ'ব।"

এই কথাখিনি বহুতেই ভাল পালে। কিন্তু—সূৰ্য-দেৱতালৈ যাবনো কোনে ?

তেতিয়া—ষাঠি বছৰীয়া বৃদ্ধ মানুহ এজনে ক'লে, "হেৰা বোপাহঁত, মোৰ তিনিকাল গৈ একালত লাগিল। মোৰ গাত এতিয়াও যিখিনি বল-শক্তি আছে—সূৰ্য্য-ভগৱন্তলৈ যাব পাৰিম কিজানি। গতিকে—ময়েই যাওঁ।"

বৃদ্ধৰ কথা শেষ হ'লত যুৱক এজনে কৈ উঠিল, "ককা, সূৰ্য্যদেৱতাৰ কাষ চাপিবলৈ কিমান বছৰ লাগিব—তাৰ কি ঠিক। এই কাম যুৱাবদ্বাৰাইহে সম্ভৱ। মই এতিয়াই সূৰ্য্য দেৱলৈ বুলি ওলাম।"

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

যুৱকৰ কথা শুনি এটি দহ বছৰীয়া ল'ৰাই কৈ উঠিল, "সূৰ্য্য-দেৱতাৰ ওচৰলৈ যাবলৈ বহু বহু বছৰৰ আৱশ্যক হ'ব। মোৰ বয়স মাত্ৰ দহ বছৰ। যদি মোক তালৈ পঠোৱা হয়, তেনেহ'লে—মই বুঢ়া হোৱাৰ আগে আগে হয়তো সূৰ্য্যদেৱতাৰ ওচৰ পাবগৈ পাৰিম। আপোনালোকৰ মাজত কোনেও এই কামটো কৰিব নোৱাৰিব, তাৰ আগতেই মৃত্যু হ'ব।"

যদিও সৰু ল'ৰাৰ কথা, তথাপি—কথাখিনি গৰুৰ দৰে কোৱা বুলি কোনেও নাভাবিলে। ল'ৰাটোৰ কথাত যুক্তি আছে।

আৰু তাৰ পাছত মানুহৰ ভিৰ ফালি ওলাই আহি সমজুৱাৰ সোঁমাজত থিয় হ'লহি এগৰাকী নাৰী। তেওঁ ক'লে, "কোনেও—আনকি এই সৰু ল'ৰাটোৱেও সূৰ্য্য-দেৱতাৰ ওচৰলৈ কিজানি যাব নোৱাৰিব। এই কাম—এপুৰুষৰ কাম নহয়, কেইবাপুৰুষো লাগি যাব পাৰে। আপোনালোকে মোক যাবলৈ দিয়ক। মই জীৱনকাললৈকে গৈ থাকিম; মোৰ মৃত্যুৰ অন্তত গৈ থাকিব মোৰেই গৰ্ভত থকা মোৰ সন্তানে। কেৱল এই দৰেহে সূৰ্য্য-দেৱতাৰ ওচৰলৈ যাবপৰা হ'ব।"

এই নাৰীগৰাকীৰ নাম আছিল উষা। উষাৰ যুক্তিপূৰ্ণ কথা ৰাইজে মানি ল'লে।

তেতিয়া উষাই ৰাওণা হোৱাৰ পৰতে ক'লে, "মই যি দিশলৈ যাম, সেই

দিশলৈ আপোনাসরে চাই থাকিব। এই কাম যেতিয়া সম্পন্ন হ'ব, তেতিয়া জুই একুৰা জ্বলাম। এই জুইকুৰা যেতিয়া ৰঙা হৈ জ্বলি উঠিব, তেতিয়াহে বুজিব যে—দেৱতাই আমাক অনুগ্ৰহ কৰিছে।"

উষা সূৰ্য্য-দেৱতালৈ যোৱাৰ সত্তৰ বছৰ পাৰ হৈ গ'ল. তাৰ পাছত উষা বৃদ্ধা হ'ল। তেতিয়া উষাৰ পুত্ৰই আগ-বঢ়ি গৈ থাকিল সূৰ্য্য-দেৱতাৰ ফালে।

ইপিনে—পৃথিৱীৰ মানৱ সন্তানহঁতে উষাই জ্বলাব বুলি কৈ যোৱা জুই কুৰা দেখা পাবলৈ আকাশলৈ চাই থাকিল।

আৰু—উষা সূৰ্য্য-দেৱতালৈ বুলি ৰাওনা হোৱাৰ এশ বছৰৰ অন্তত এদিন সেই বহু প্ৰত্যাশিত টিকটিকীয়া ৰঙা জুই একুৰা আকাশত খেদা গ'ল, মানৱ-সন্তানসকল আনন্দৰ আবেগৰে চিংকাৰ কৰি উঠিল, "সেইযে—সেইয়া আমাৰ উষা! এতিয়াৰপৰা আমাৰ কাৰণে সূৰ্য্য-দেৱতা সদায় প্ৰকাশিত হ'ব।" মানৱে সমস্বৰে উষাক বন্দিলে, "হে উষা! তোমাক প্ৰণাম!" উষাই মানৱক অন্ধকাৰৰপৰা পোহৰলৈ আনিলে, শ্ৰমৰ স্পৃহা, স্বাস্থ্য আৰু অপাৰ সুখ দানিলে।

সেই তাহানিৰপৰা আজিও কোনো কাৰ্য্য সম্পন্ন কৰোঁতে উষাক সোঁৱৰা হয়, উষাক বন্দনা কৰা হয়। উষা যি দিশলৈ গৈছিল, আৰু তাই জ্বলোৱা জুইকুৰা চাবলৈ কৈছিল, সেই দিশ হ'ল পূব দিশ। উষাক দেখা পোৱাৰ লগে লগেই আজিও মানৱ-হয় কৰ্মৰত, সূৰ্য্য-দেৱতাৰ প্ৰকাশলৈ মানুহে আৰু বৈ নথকা হয়।

উষাই আমাক কেৱল আলোকেই-দি থৈ নগ'ল। উষাই আমাক এই কথাটোও কৈ গ'ল: কোনো দুৰূহ কাৰ্য্যয়েই এজনে দুজনে বা মাত্ৰ এমুঠিমানে কৰিব নোৱাৰে; তাৰ কাৰণে লাগে পুৰুষ-পৰম্পৰাৰ আন্তৰিক নিষ্ঠা আৰু প্ৰচেষ্টা।

গছ
বগোৱা
কেঁকোৰা
এই খকুৱা কেঁকোৰাবিলাকে [বাৰ্গাজল্যাট্ৰ'] নাৰিকল চুৰি খাবলৈ কৰি গছত বগাই উঠিব পাৰে ।
এতিয়ালৈকে পৃথিৱীত বতি থকা প্ৰাণীকুলৰ মাজত এই কাঁইটীয়া ফিছা থকা চৰায়েই হ'ল দ্ৰুততম গতিসম্পন্ন । এই চৰাই ঘণ্টাইপ্ৰতি ১০৬·২৫ মাইল অৰ্থাৎ ১৭১ কিল'মিটাৰ বেগেৰে উৰিব পাৰে ।
দ্ৰুততম প্ৰাণী
বৰফ প্ৰতিৰোধক
ওখতকৈয়ো ওখ পৰ্বতত ফুলা এই ফুল [ৰান্নুনকিউলাছ গ্লেছিয়ালিজ] বৰফৰ তীব্ৰ দংশনৰপৰা আপোনা-আপুনিয়েই ৰক্ষা পৰে । কিয়নো, এই ফুলৰ ৰেণুৰপৰা ওলোৱা তৰল ৰস হ'ল বৰফ-প্ৰতিৰোধক !

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯০ চনৰ মে' সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯০ চনৰ মাৰ্চ মাহৰ ১৫ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৰাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI
MADRAS—600 026.

১৯৮৯ চনৰ জানুৱাৰি মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ভোগৰ তান দ্বিতীয় ফটো : ভোকৰ গান

পুৰস্কাৰ প্ৰাপক : ভোগেশ্বৰ শৰ্মা, বগুৰিহাটী, নলবাৰী, কামৰূপ।
[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

চান্দমামা
ভাৰতত বছৰেকীয়া বৰঙণি ৩৬.০০ টকা মাথোন
তলৰ ঠিকনালৈ পঠাব লাগিব :
DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI,
MADRAS-600 026
নাইবা
Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

Statement about ownership of CHANDAMAMA (Assamese)
Rule 8 (Form VI), Newspapers (Central) Rules, 1956

1. *Place of Publication*	'CHANDAMAMA BUILDINGS' 188, N.S.K. Salai Vadapalani, Madras-600 026
2. *Periodicity of Publication*	MONTHLY 1st of each calendar month
3. *Printer's Name*	B.V. REDDI
Nationality	INDIAN
Address	Prasad Process Private Limited 188, N.S.K. Salai Vadapalani, Madras-600 026
4. *Publisher's Name*	B. VISWANATHA REDDI
Nationality	INDIAN
Address	Chandamama Publications 188, N.S.K. Salai Vadapalani, Madras-600 026
5. *Editor's Name*	B. NAGI REDDI
Nationality	INDIAN
Address	'Chandamama Buildings' 188, N.S.K. Salai Vadapalani, Madras-600 026
6. *Name and Address of individuals who own the paper*	CHANDAMAMA PUBLICATIONS PARTNERS: 1. Sri B. VENKATRAMA REDDY 2. Sri B.V. NARESH REDDY 3. Sri B.V. SANJAY REDDY 4. Sri B.V. SHARATH REDDY 5. Smt. B. PADMAVATHI 6. Sri B.N. RAJESH REDDY 7. Smt. B. VASUNDHARA 8. Kum.B.L. ARCHANA (Minor) 9. Kum.B.L. ARADHANA (Minor) (Minors admitted to the benefits of Partnership) 'Chandamama Buildings' 188, N.S.K. Salai Vadapalani, Madras-600 026

I, B. Viswanatha Reddi, hereby declare that the particulars given above are true to the best of my knowledge and belief.

1st March 1990

B. VISWANATHA REDDI
Signature of the Publisher

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA

Give him the magazine in the language of his choice—
Assamese, Bengali, English, Gujarati, Hindi, Kannada,
Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
—and let him enjoy the warmth of home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs. 81.00 By Air mail Rs. 156.00

FRANCE, SINGAPORE, U.K., U.S.A.,
WEST GERMANY & OTHER COUNTRIES

By Sea mail Rs. 87.00 By Air mail Rs. 156.00

Send your remittance by Demand Draft or Money Order favouring 'Chandamama Publications' to:

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS
VADAPALANI MADRAS 600 026

CHANDAMAMA (Assamese) March 1990 Regd. No. TN/MS (S)/87